# মানৱ অধিকাৰ আৰু আমি

ড° হজৰত আলী আহমেদ

১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধ ১৯৪৫ চনত শেষ হয়। প্ৰলয়ংকাৰী এই যুদ্ধত ধন-জন, সা-সম্পত্তি আৰু প্ৰাকৃতিক পৰিৱেশৰ যি অপূৰনীয় ক্ষতি হৈছিল, সেই কথা কোৱা বাহুল্য মাথোন। বিশ্বব্যাপি আকৌ যাতে তেনে প্ৰলয়ংকাৰী যুদ্ধ সংঘটিত হৈ মানৱ সভ্যতাক বিপৰ্য্যস্ত নকৰে তাৰ বাবে বিশ্বৰ আগশাৰীৰ নেতৃত্বই গভীৰ ভাবে চিন্তা কৰিছিল - যাৰ ফলত সৃষ্টি হৈছিল এটি বিশ্ব সংস্থা -নাম তাৰ ৰাষ্ট্ৰ সংঘ (United nations Organisation)। ৰাষ্ট্ৰসংঘক সংক্ষেপত কোৱা হয় UNO। ১৯৪৫ চনৰ ২৪ অক্টোবৰত জন্ম হোৱা ৰাষ্ট্ৰসংঘৰ প্ৰধান উদ্দেশ্যৰ বিষয়ে সংঘৰ প্ৰস্তাৱনা আৰু ১ম অনুচ্ছেদত উল্লেখ কৰা আছে। প্ৰস্তাৱনাত উল্লেখ আছে ভৱিষ্যত মানৱ সমাজক যুদ্ধৰ বিভীষিকাৰ পৰা ৰক্ষা কৰা আন্তঃ ৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা অক্ষুন্ন ৰখা ইত্যাদি।

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই (General Assembly) এটি প্ৰস্তাৱ যোগে ১৯৪৮ চনৰ ১০ ডিচেম্বৰত সাৰ্বজনীন মানৱ অধিকাৰৰ (Universal Declaration of Human Rights) কথা ঘোষণা কৰে। সেয়ে প্ৰতিবছৰে ১০ ডিচেম্বৰ তাৰিখটো মানৱ অধিকাৰ দিৱস হিচাপে গোটেই বিশ্বই পালন কৰি আহিছে। ৰাষ্ট্ৰ সংঘৰ মানৱ অধিকাৰৰ ঘোষণা পত্ৰত সন্নিবিষ্ট সৰ্বমুঠ ত্ৰিশটি অনুচ্ছেদত মানৱ অধিকাৰ সম্পৰ্কে বিস্তৃত আলোচনা কৰা হৈছে।

আজি কিছুবছৰ আগৰে পৰা বিশ্বৰ জন সমাজত বিশেষকৈ বৌদ্ধিক তথা সচেতন মহলত মানৱ অধিকাৰৰ কথা খুউব বেছিকৈ আলোচিত হৈছে। অকল যে মানৱ অধিকাৰৰ কথাকে আলোচনা কৰা হৈছে সেয়া নহয়, আলোচনা কৰা হৈছে মানৱ অধিকাৰৰ ব্যাপক লংঘনৰ বিষয়েও। আমাৰ এই আলোচনাত সাৰ্বজনীন মানৱঅধিকাৰ আৰু সেইবোৰৰ নিৰৱচ্ছিন্ন উলংঘা সম্পৰ্কে আলোচনা পৰ্য্যালোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱ-অধিকাৰৰ ঘোষণা হোৱা পিছৰে পৰা বিভিন্ন দেশৰ চৰকাৰে মানৱ-অধিকাৰ ৰক্ষাৰ্থে স্বকীয়ভাবে মানৱ-অধিকাৰ আয়োগ গঠন কৰিছে। বিশ্বৰ সবাতোকৈ বৃহৎ গণতন্ত্ৰৰ দেশ আমাৰ ভাৰতবৰ্ষৰ চৰকাৰেও কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্য্যায়ত মানৱ-অধিকাৰ আয়োগ গঠন কৰি মানৱ-অধিকাৰ সমূহ ৰক্ষাৰ উপৰিও এইবোৰৰ উলংঘাৰ বিৰুদ্ধে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়াস কৰিছে। ১৯৯৩ চনৰ ২৮ চেপ্তেম্বৰৰ মানৱ-অধিকাৰ অধিসূচনা অনুসৰি ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠন কৰে ১৯৯৩ চনৰ অক্টোবৰ মাহত।

মানৱ অধিকাৰ ৰক্ষাৰ বাবে গঠিত বিশ্বজনীন সংস্থা আৰু জাতি ৰাষ্ট্ৰৰ (Nation State) অধীনৰ মানৱ অধিকাৰ আয়োগৰ বিষয়ে চমু আভাস পোৱাৰ পিছতে আমি আহিব খুজিছোঁ -প্ৰকৃতাৰ্থত মানৱ অধিকাৰনো কি, সেই কথা জানিবলৈ। সাধাৰণ ভাষাত কবলৈ হ'লে মানৱ অধিকাৰ হ'ল জন্মৰ সময়ত প্ৰাকৃতিকভাৱে লাভ কৰা কিছুমান অধিকাৰ যিবিলাক অবিহনে মানুহ এজনে ভালদৰে জীৱন যাপন কৰিব নোৱাৰে। মানৱ অধিকাৰ মানুহ প্ৰকৃতিৰ অবিচ্ছেদ্য অংগ যাৰ জৰিয়তে মানুহে স্বকীয় ব্যক্তিত্বৰ উৎকৰ্ষ সাধনৰ লগতে মানবীয় প্ৰমূল্যবোধৰ পূৰ্ণ বিকাশ সম্ভৱ কৰি তুলিব পাৰে। ৰাজনৈতিক চিন্তাবিদ জেনিংচৰ মতে-অধিকাৰ হ'ল কিছুমান সামজিক চৰ্ত্ত যিবিলাক অবিহনে ব্যক্তিৰ পূৰ্ণতা অসম্ভৱ।

এতিয়া আমি আহো -ৰাষ্ট্ৰসংঘৰ

দ্বাৰা গৃহীত সাৰ্বজনীন মানৱ অধিকাৰ সম্পৰ্কে উল্লেখিত কেইটামান অনুচ্ছেদৰ কথালৈ। ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন ঘোষণাৰ প্ৰথম অনুচ্ছেদ মতে সকলো মানুহ স্বাধীনভাবে জন্ম গ্ৰহণ কৰে আৰু মৰ্যাদা তথা অধিকাৰৰ ক্ষেত্ৰত সকলো সমান। দ্বিতীয় অনুচ্ছেদ মতে - সকলোৱে ঘোষণা পত্ৰত থকা অধিকাৰ সমূহ জাতি, ধৰ্ম, বৰ্ণ ভাষা নিৰ্বিশেষে ভোগ কৰিব পাৰিব লাগিব। তৃতীয়তে , প্ৰত্যেক ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু ব্যক্তিগত সুৰক্ষাৰ অধিকাৰ আছে। চতুৰ্থতে কাকো দাস হিচাবে ৰখা নাযাব আৰু দাসত্ব প্ৰথাক নিৰ্মূল কৰা হ'ব। পঞ্চমতে কোনো মানুহক নিষ্ঠুৰ ব্যৱহাৰ কৰা নাযাব, কাকো কোনেও অমানবীয় ব্যৱহাৰ কৰিব নোৱাৰিব। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ ঘোষণা পত্ৰত থকা আটাইকেইটা অনুচ্ছেদ আলোচনা কৰিলে লেখনিৰ কলেৱৰ যথেষ্ট ডাঙৰ হ'ব আৰু পুনৰাবৃত্তিৰ দোষে চুব। সেয়েহে আটাইকেইটা অনুচ্ছেদ উল্লেখ কৰাৰ পৰিবৰ্তে উপৰোক্ত পাঁচটি অনুচ্ছেদৰ তাৎপৰ্য্য আৰু বাস্তক্ষেত্ৰত সেইবোৰ কিমানদূৰ মানি চলা হৈছে - তাকেহে আলোচনা কৰাটো সমীচিন হ'ব।

বাস্তব ক্ষেত্ৰত চাবলৈ গলে মানৱ অধিকাৰ ধাৰণা অবাস্তব কল্পনাৰ বাহিৰে আন একো নহয় যেন লাগে। সপোনত সাত হাল বাই ৰাতিপুৱা এক হালৰ কাম নেদেখাৰ দৰেই উক্ত মানৱ অধিকাৰ সমূহ। কাৰণ ঘোষণা পত্ৰত থকা ধৰণে মানৱ অধিকাৰ উপভোগ কৰিব পৰা হোৱা নাই। মানৱ অধিকাৰ কল্পনাপ্ৰসূত বিলাসিতাহে মাথোন হৈছে। অধিকাৰ সমূহ বৰ গুৰুত্বপূৰ্ণ বুলি ভবা হয় যদিও উক্ত অধিকাৰ সমূহে সৰ্বসাধাৰণ লোকৰ কোনো উপকাৰ সাধন কৰা নাই। আন্তৰ্জাতিক ভাবে স্বীকৃতি পোৱাৰ পিছতো মানৱ অধিকাৰ সমূহ সঘনাই উলংঘা হোৱাৰ উদাহৰণ অলেখ। টি, ভি, ৰেডিঅ', বাতৰি কাকত আদি প্ৰচাৰ মাধ্যমৰ জৰিয়তে সদায়ে জনা যায় মানৱ অধিকাৰ লুণ্ঠিত হোৱাৰ দুঃখবৰ। জাতি, ধৰ্ম, বৰ্ণ, ভাষা আৰু আন কাৰণত ভেদা-ভেদৰ সৃষ্টি কৰি শক্তিশালী আৰু সুবিধাভোগী সকলে দুৰ্বলী সুবিধা বঞ্চিত লোকক হাৰাশাস্তি কৰি তেওঁলোকৰ মানৱ অধিকাৰ যে খৰ্ব কৰি আহিছে সেয়া অনস্বীকাৰ্য। উপৰিল্লেখিত ব্যক্তি স্বতন্ত্ৰতা, মৰ্য্যাদা, জাতি-ধৰ্ম, বৰ্ণ, ভাষাৰ নিৰপেক্ষতা, ব্যক্তি জীৱনৰ নিৰপত্তা, দাসত্ব প্ৰথাৰ বিলুপ্তি ইত্যাদি মানৱ অধিকাৰবোৰ যে নাগৰিকে মুঠেই উপভোগ কৰিব পৰা নাই নাইবা ব্যক্তি চৰকাৰ, কৰ্তৃপক্ষ আদিয়ে স্বেচ্ছাধীন ভাবে খৰ্ব কৰিছে সেই কথা দোহৰাৰ প্ৰয়োজন নিশ্চয় নহ'ব।

প্ৰায়বিলাক ৰাষ্ট্ৰতে সংখ্যালখুসকলৰ মানৱ অধিকাৰ ভুলুণ্ঠিত হোৱা দেখা যায়। যাৰ ফলত সংখ্যালঘু সকলে নানা ধৰণৰ অবিচাৰ, অন্যায় আৰু দুৰ্ভোগ ভূগিবলগীয়া হয়। সংখ্যালঘুৰ প্ৰতি সংখ্যাগুৰুসকলে কৰা এনে অন্যায়-অবিচাৰ নিঃসন্দেহে মানৱ অধিকাৰৰ পৰিপন্থী।

কিছুমান ৰাষ্ট্ৰত পুলিচ আৰু সামৰিক বাহিনীৰ লোকেও সাধাৰণ ৰাইজৰ অধিকাৰ বিলাক বিভিন্ন অজুহাতত উলংঘা কৰি থাকে। পুলিচ বা সামৰিক লোকৰ দ্বাৰা সাধাৰণ ৰাইজ অনাহকত নানা ধৰণৰ অত্যাচাৰ সহ্য কৰিব লগীয়া হয়। সাধাৰণতে মহিলা, শিশু, পিছপৰা আৰু অশিক্ষিত জনসাধাৰণ অতি বেছিকৈ হাৰাশাস্তি হোৱা দেখা যায়। অৰ্থাৎ নিৰাপত্তা আৰু শৃঙ্খলাৰ বাবে নিয়োজিত পুলিচ আৰু সামৰিক লোকৰ দ্বাৰা মানৱ অধিকাৰ সঘনাই উলংঘা হোৱা পৰিলক্ষিত হয়।

বৰ্তমান বিশ্বত সন্ত্ৰাসবাদ এটা অতি গুৰুতৰ আৰু ভয়াবহ সমস্যা। সন্ত্ৰাসবাদী সকলে ৰাষ্ট্ৰৰ বিৰোধিতা কৰাৰ উপৰিও হত্যা, অপহৰণ, নিৰ্য্যাতন, ধনদাবী আদি অমানবীয় কাৰ্য্যৰে সাধাৰণ নাগৰিকৰ অধিকাৰ খৰ্ব কৰি আহিছে। তেওঁলোকৰ মানৱ অধিকাৰৰ প্ৰতি কোনো ধৰণৰ শ্ৰদ্ধা থকা দেখা নাযায়। চৰকাৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষই সন্ত্ৰাসবাদী সকলৰ মানৱ অধিকাৰ খৰ্ব কৰা কাৰ্য্যৰ বিৰুদ্ধে যথোপযুক্ত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰাও দেখা যায়।

অনুন্নত আৰু উন্নয়ণশীল দেশবোৰত মানৱ অধিকাৰৰ অৱস্থা বৰ শোচনীয়। আমাৰ ভাৰতবৰ্ষ এইক্ষেত্ৰত পিছপৰি থকা নাই। জাতি-বৈষম্য, গোষ্ঠী সংঘৰ্ষ, ধৰ্মীয় সংঘাত, উচ্চ-নীচৰ সংঘাত আদি ইয়াত ইমানেই প্ৰবল যে বহু সময়ত এইবোৰৰ গইনা লৈ সৰ্বসাধাৰণ ৰাইজৰ জন্মগত অধিকাৰ নষ্ট হোৱাৰ উদাহৰণ অলেখ। গুজৰাটৰ গোধৰাকাণ্ড, বাৱৰি মজজিদ ধ্বংস কাণ্ড, উৰিষ্যাৰ খৃষ্টান নিধন কাণ্ড, অসমৰ বড়ো-মুছলিমৰ হত্যা সংঘৰ্ষ, দিল্লীৰ গণ বলৎকাৰ আদি মানৱ অধিকাৰ উলংঘাৰ অতি ঘৃননীয় উদাহৰণ। সন্ত্ৰাসবাদী গোটসমূহ নিৰ্বিচাৰে ধূলিসাৎ কৰা মানৱ অধিকাৰবোৰৰ ভিতৰত আলফাৰ দ্বাৰা সংঘটিত ধেমাজিৰ শিশু বধ যজ্ঞ, এন, ডি এফ বিৰ ধাৰাবাহিক বোমা বিস্ফোৰন নিঃসন্দেহে ঘৃননীয় অপৰাধ।

অনেক ৰাষ্ট্ৰত আজিকোপতি নাৰীৰ প্ৰতি কৰা অনাদৰ আৰু অৱহেলা মানৱ অধিকাৰৰ ক্ষেত্ৰত চৰম অৱমাননা। এনে কিছুমান পুৰুষ প্ৰধান সমাজ ব্যৱস্থা আছে য'ত নাৰীৰ স্বকীয় মৰ্য্যদা ৰক্ষা হোৱা নাই। নাৰীক সমাধিকাৰ প্ৰদান, ৰাজনৈতিক পথাৰত পৰ্যপ্ত প্ৰতিনিধিত্ব প্ৰদান, চাকৰি বাকৰিত সুবিধা প্ৰদান আদিক কেন্দ্ৰকৰি সময়ে সময়ে আন্দোলন সংঘটিত হোৱা

সত্বেও নাৰীয়ে সুবিধা বঞ্চিত হোৱাৰ অভিযোগ উঠা দেখা যায়।নাৰীৰ প্রতি থকা এনে ভেদ-ভাৱ মানৱ অধিকাৰ উলংঘাৰ অন্যতম উদাহৰণ।

চাবলৈ গলে, মানৱ অধিকাৰ আৰু বহু ক্ষেত্ৰ আছে য'ত অপ্ৰতিৰোধ্য ভাৱে খৰ্ব হৈছে মানৱ অধিকাৰ ঈপ্সিত লক্ষ্য আৰু উদ্দেশ্য। বিজ্ঞান প্ৰযক্তি বিদ্যাৰ অবৃতপূৰ্ব উন্নয়ন আৰু মানৱ সভ্যতাৰ দ্ৰুত বিকাশ সম্ভৱ হোৱাৰ পিছতো সুবিধাভোগী আৰু ক্ষমতাসীন লোকৰ দ্বাৰা সাধাৰণ জনতাৰ জন্মস্বত্বস্বৰূপ উৎকৰ্ষৰ অধিকাৰ সমূহ নিৰ্বিঘ্নে ব্যাহত হোৱাৰ অশুভ প্ৰক্ৰিয়া মানৱ অধিকাৰ খৰ্ব হোৱাৰ যে অতি নিৰ্লজ্জ উদাহৰণ -সেয়া নকলেও হ'ব।

ৰাষ্ট্ৰসংঘৰ দ্বাৰা ঘোষিত মানৱ অধিকাৰ বিলাকক মানৱ সভ্যতাৰ প্ৰতীক বুলিব পাৰি। জাতি, ধৰ্ম, বৰ্ণ ভাষা, ধনী, দুখীয়া, উচ্চ-নীচ নিৰ্বিঘ্নে আমি আটাইয়ে উক্ত মানৱ অধিকাৰৰ প্ৰতি জনাব লাগিব উপযুক্ত সন্মান। মানৱ অধিকাৰ সমূহ বলবৎ আৰু সুৰক্ষাৰ ক্ষেত্ৰত আমি অটাইয়ে হ'ব লাগিব অতিশয় সচেতন। মানৱ প্ৰকৃতিৰ অবিচ্ছেদ্য অধিকাৰ সমূহ যাতে কোনো কাৰণতেই অৱহেলিত বা উলংঘা হ'ব নোৱাৰে তাৰ বাবে আমি আটাইয়ে লব লাগিব দৃঢ় প্ৰতিজ্ঞা। অন্যথাই মানৱ অধিকাৰৰ পুথিগত ঈপ্সিত মধুৰ বচনবোৰ হৈ পৰিব অমূলক-পেলনীয়া আবৰ্জনা স্বৰূপ।

মানৱ অধিকাৰ ৰক্ষা কৰিবলৈ আমি অটাইয়ে মিলি লব লাগিব কিছুমান ইতিবাচক পদক্ষেপ। উক্ত পদক্ষেপ হিচাপে মই ভাবো নিম্নলিখিত ব্যৱস্থা কাৰ্য্যকৰী কৰাটো নিঃসন্দেহে হ'ব বলিষ্ট পদক্ষেপ।

প্ৰথমতে, মানৱ অধিকাৰ ৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত জনমত গঠন কৰিব লাগিব। দ্বিতীয়তে মানৱ অধিকাৰ ৰক্ষাৰ বাবে সৰু বৰ সকলো ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ লগত সহযোগিতা কৰিব লাগিব। তৃতীয়তে মানৱ অধিকাৰক সংবিধানিক স্বীকৃতি দিব লাগিব। চতুৰ্থতে, মানৱ অধিকাৰ সম্পৰ্কে জণসাধাৰণক জ্ঞান দিব লাগিব। প্ঞ্চমতে, প্ৰত্যেক ব্যক্তি আনৰ অধিকাৰৰ প্ৰতি সন্মান জনাব লাগিব। ষষ্ঠতে, মানৱ অধিকাৰ উলংঘা কৰিব বিচৰা ব্যক্তি বা গোষ্ঠীৰ বাধা দিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে শাস্তিৰ ব্যৱস্থা কৰিব লাগিব। সপ্তমতে, জাতি, ধৰ্ম, বৰ্ণ ভাষা নিৰ্বিশেষে সকলোৰে প্ৰতি মৰম প্ৰীতি ভাৱ জগাই তুলিব লাগিব। অষ্টমতে, ব্যক্তি স্বাৰ্থ সিদ্ধিৰ পৰিবৰ্তে উমৈহতীয়া স্বাৰ্থক অগ্ৰাধিকাৰ দিব লাগিব।

অতি দুখ আৰু পৰিতাপৰ কথা আমি যিসকলে সভা সমিতি, হাট বজাৰ, দল সমাজ, আদি মানৱ অধিকাৰ সম্পৰ্কে উদাত্ত ভাষনেৰে বাহ বাহ লওঁ, আমি সেই সকল তথাকথিত বৌদ্ধিক মহলেই যে মানৱ অধিকাৰ উলংঘাৰ বাবে প্ৰকৃতাৰ্থত জগৰীয়া সেয়া কোৱা বাহুল্য মাথোন। মুখেৰে নহয় অন্তৰেৰে মানৱ অধিকাৰৰ প্ৰতি সন্মান জনাব লাগিব তেহে মনাৱ অধিকাৰৰ যথাৰ্থত মূল্যায়ণ হ'ব।

# নিজম নিশাৰ সংগী

**ৰত্নামনি ৰায়**
**স্নাতক তৃতীয় বৰ্ষ**

এসপ্তাহৰ ছুটী লৈ কৰ্মস্থলী তুৰাৰ পৰা স্ব-গৃহ গোৱালপাৰালৈ আহিছিল ডেকা ইঞ্জিনিয়াৰ বিমল ৰায়। অকোৰা- পকোৰা পাহাৰীয়া ৰাস্তা। তদুপৰি প্ৰচণ্ড শীতো পৰিছে। চাৰিওফালে ঘন কুঁৱলীয়ে আৱৰি পেলাইছে আলীৰ দুকাষ। মাজে মাজে ফেৰ ফেৰীয়া চেঁচা বতাহে হাড় পৰ্যন্ত কঁপাই তুলিছে। বিমলে গাড়ীৰ খিৰিকীৰ কাষত নিঃছুপ হৈ বহি আছে। যাত্ৰীৰ সংখ্যাও যথেষ্ট তাকৰ। সি বহা চিটটোত দুই- এষাৰ কথা পাতিবলৈকো কোনো সংগী নাই। বাহিৰলৈ চাই পঠিয়ালে যদিও একোৰেই চকুত নপৰিল তাৰ। চাৰিওফালে ভয়ানক অন্ধকাৰ। সেই অন্ধকাৰৰ মাজে মাজে কৰবাত ওখ গৰা, কৰবাত আকৌ দ গাঁত। ৰাস্তাৰ দুয়োকাষে শাৰী- শাৰী পাইন গছৰ উপৰি ঠায়ে ঠায়ে দুই এজোপা বিয়াগোম গছ যেন অশৰীৰি আত্মাৰ দৰে অদ্ভুদ ভংগীৰে থিয় হৈ আছে। কাষৰ জংঘলৰ পৰা অজস্ৰ কীট-পতংগৰ মাতে পৰিৱেশটো জয়াল কৰি তুলিছে।

অলপ শুৱলৈ চেষ্টা কৰিছিল যদিও পাহাৰীয়া ৰাস্তাত বাছৰ ইঞ্জিনৰ শব্দ আৰু খিৰিকীৰ ফাকেৰে সোমাই অহা ঠাণ্ডাৰ বাবে বিমলৰ টোপনি অহা নাছিল। অৱশ্যে বাছৰ আন যাত্ৰী সকল আটাইয়ে চকু মুদিয়েই বহি আছিল। আনকি কণ্ডাক্তৰ জনো মূৰত বান্দৰ টুপী লগাই চিটৰ ওপৰত ভৰি তুলি হাতত মূৰ থৈ টোপনি মাৰিছিল।

এনে সময়তে হঠাৎ ঘটনাটো ঘটি গ'ল। বাছখন যেন হঠাৎ জাপ মাৰি উঠিল। প্ৰচণ্ড এটা যান্ত্ৰিক শব্দ কৰি কিছুদূৰ আগুৱাই গৈ ইঞ্জিনৰ শব্দ বন্ধ হৈ বাছখন হৈ ৰ'ল।

কণ্ডাক্তৰজন নামি গৈ ক্ষন্তেক পিছতে উভতি আহি যাত্ৰীসকলক উদ্দেশ্যি ক'লে- "এক্সিলেটৰ টুট গিয়া। গাড়ী ঔৰ আগে নহী চল চকেগা আজ।"

বিমলৰ মূৰত যেন বজ্ৰপাত পৰিল। মনতে ভাবিলে 'ছেঃ কি বিমোৰত পৰিলো আজি। পিছবেলা যে কিয় মৰিবলৈ ওলাইছিলোঁ।'

নামি গৈ বেলেগ গাড়ীৰ বাবে অপেক্ষা কৰাৰ বাহিৰে আৰু গত্যন্তৰ নাই। ইতিমধ্যে যাত্ৰী সকলে এজন-এজনকৈ নামিবলৈ আৰম্ভ কৰিছেই। কাৰ গন্তব্য স্থান কোনফালে বিমলৰ সেয়া জানিবলৈ মনত অলপো ইচ্ছা নাছিল। সি গ্লাছ লগোৱা খিৰিকীখন মেলি দিয়েই বাহিৰলৈ চালে, ক'তো একোৰেই দৃষ্টি গোচৰ ন'হল তাৰ। চৌপাশে ঘন অন্ধকাৰ। মাথোন সেই অন্ধকাৰৰ মাজত অসংখ্য জোনাকী পৰুৱা, মাজে মাজে জ্বলি উঠিছে মাজে মাজে নুমাইছে। এটা সময়ত লেডাৰৰ বেগটো কান্ধত ওলোমাই লৈ সিয়ো নামি গ'ল।

কিছুদূৰ আগুৱাই গৈ ৰাস্তাৰ মাজ অংশ পোৱাৰ লগে লগে সোঁকাষে কিছু দূৰত এটা পোহৰৰ বিন্দু চকুত পৰিল বিমলৰ। যেন টিমিক-ঢামাককৈ বন্তি এগছি জ্বলি আছে। মনত অলপ সংশয় হ'ল তাৰ- আচহুৱা ঠাই এখনত ঘপহকৈ যিকোনো ঠাইলৈ যোৱাটো সমীচিন হ'ব জানো? চৌপাশে ঘোপমৰা অন্ধকাৰ, তেনেহ'লে সেই পোহৰটো কিহৰ? ওচৰে-পাজৰে ঘৰ-বাৰীও নাই। ইপিনে সন্ধিয়াৰ ভয়ানক নিৰ্জনতাই ঠাইডোখৰ বেছ জয়াল কৰি তুলিছে। তৎমূহুৰ্ততে মনত সাহস সঞ্চাৰ কৰি ভাবিলে - 'মই মিছাতে ভয় খাইছো নেকি? সেয়া কোনো দোকানোতো হ'ব পাৰে। বাৰু তালৈকে এপাক যোৱাই যাওক........।' এইদৰে সাহস কৰি বিমলে পোহৰৰ উৎসৰফালে আগুৱাই যাবলৈ ধৰিলে। লাইটাৰটো বিচাৰি নাপাই জোনাকী পৰুৱাৰ পোহৰতে ঘড়ীটোলৈ চালে- চাৰে সাতটা বাজিছে। কিছুদূৰ যোৱাৰ পাছত নিৰ্দ্দিষ্ট স্থানত উপস্থিত হৈ বিমলে দেখিলে যে সেইখন এখন দোকান। ডাঙৰ আহত গছ এজোপাৰ তলত বাঁহ আৰু তাল পাতেৰে

সৰু জুপুৰি ঘৰ এটা সাঁজি তাত চাউল-দাইলকে আদি কৰি কিছু নিত্য ব্যৱহাৰ্য্য সামগ্ৰী ৰখা হৈছে। দোকানীজনৰ মূৰত এখন চাদৰ মেৰিওৱা, পিন্ধনত এটা ডাঠ চুৰেটাৰ। দোকানখনৰ মুখত হাজিৰ হ'ল বিমল।

হঠাৎ অচিনাকী মানুহ এজন দেখি দোকানীজনে থত্‌মত্‌ খাই সুধিলে- 'আপকো কাহা জানা হ্যায়?'

বিমলে গোটেই ঘটনাটোৰ বিষয়ে ভঙা ভঙা হিন্দীত দোকানীজনৰ আগত বিৱৰি ক'লে। তাৰ পিছত এপেকেট চিগাৰেট কিনিলে। চিগাৰেট এটা উলিয়াই লৈ ওঠত গুজিলেহে মাথো কাৰোবাৰ মাতত উচপ খাই উঠিল সি

'সৌটো বিমল নহয় নে?'

মাতটো পুৰণি চিনাকি যেন লাগিল বিমলৰ। বিস্ময় সনা চাৱনিৰে ইফালে সিফালে চাই হঠাতে চমকি উঠিল বিমল। দোকানৰ সোঁফালে এখন সৰু বাঁহৰ চাঙৰ ওছৰত এজন মানুহ বহি থকা তাৰ চকুত পৰিল। পিন্ধনত লং পেন্ট, মূৰত এটা টুপী, মুখখন ডাড়িৰে ভোবোকাৰ। বিমলৰ ফালে একেথিৰে চাই আছে।

বিমলে কিবা কব খোজাৰ আগতেই মানুহজনে কৈ উঠিল - 'মোক চিনি পোৱা নাই নহয়? মই সমীৰন।'

আচৰিত হ'ল বিমল- 'সমীৰন কোন সমীৰন?'

মানুহজনে টুপীটো মূৰৰ পৰা গুচাই দিলে।

এইবাৰ মানুহজনক অলপ চিনাকি চিনাকি লাগিল বিমলৰ। আৰু কিছুক্ষণ একদৃষ্টিৰে মানুহজনৰ ফালে লক্ষ্য কৰি বিমল নিশ্চিত হ'ল যে সেইজন তাৰেই প্ৰতিবেশী সমীৰন দত্ত।

বিমলৰ ঘৰৰ পৰা মাত্ৰ কেই ফাৰ্লং মান দূৰত সমীৰন দত্তৰ ঘৰ। আজিৰ পৰা প্ৰায় দহ বছৰ মান আগতে মাক-দেউতাকৰ সৈতে কাজিয়া কৰি ঘৰৰ পৰা ওলাই গৈ নিৰুদ্দেশ হৈছিল। কাগজে-পত্ৰই বিজ্ঞাপন দি, বহু খবৰ কৰিও সমীৰন দত্তৰ কোনো সন্ধান পোৱা নগৈছিল। দহ বছৰৰ পাছত আজি হঠাৎ বিমলৰ সতে সাক্ষাত হ'ল, সেয়াও এক আচহুৱা আৰু প্ৰায় জনবসতিহীন ঠাই এডোখৰত।

এই নিৰ্জন স্থানত কি কৰিছেনো সমীৰন দত্তই। জিজ্ঞাসা কৰাৰ আগেয়েই সমীৰন দত্তই যেন বুজি পালে বিমলৰ প্ৰশ্ন। সেয়ে ততাতৈয়াকৈ বিমলক একাষে টানি নি ক'লে- 'ঐ বিমল বলচোন মোৰ ঘৰলৈ যাওঁ। তোক সকলো কথা খুলি কম।'

ঃ ঘৰ, এই জনপ্ৰানীহীন ঠাইত ঘৰ সাজিবলৈ কিহে পাইছিল তোমাক সমীৰন দা?

ঃ মোৰ নিজা ঘৰ নহয় অ অকৰা, কোম্পানীৰ কোৱাৰ্টাৰত থাকো।

ঃকোম্পানীৰ কোৱাৰ্টাৰ এই ঠাইত?

ঃ গড়কাপ্তানি বিভাগৰ কামত নিয়োজিত শ্ৰমিক সকলৰ কাম কাজৰ তদাৰক কৰো মই। ঐ ব'ল ইয়াতেই যদি সকলো কথা কওঁ পিছ পৰে তোক কবলৈ আৰু কি বাকী থাকিব? -কৈ কৈ অন্ধকাৰত আগুৱাই গ'ল সমীৰন দত্ত।

সমীৰনৰ কথা-বাৰ্তা শুনি তেওঁৰ ওপৰত বিশ্বাস জন্মিল বিমলৰ। যিয়েই নহওক, নিশাৰ বাবে এক নিৰাপদ আশ্ৰয় পাই সন্তুষ্ট লভিলে বিমলে। মনতে এবাৰ ভাবিলে এই আওহতীয়া ঠাইত নিশা ট্ৰাক বা অন্য গাড়ীৰ বাবে অপেক্ষা কৰাতকৈ নিশাটো সমীৰনদাৰ সতে কটোৱাই ভাল হ'ব।

দুয়ো খোজ দিলে। সমীৰন দত্তৰ কাষে কাষে গৈ থাকিল বিমল। হঠাৎ এডোখৰ অন্ধকাৰ ঠাইত সমীৰন দত্ত অদৃশ্য হৈ গ'ল, তদুপৰি ইমান গাঢ় এন্ধাৰ যে ৰাস্তা-ঘাট একো চিনিব নোৱাৰি। আটাহ পাৰি মাতিলে বিমলে- 'সমীৰন........... দা....'

বিমলে মন কৰিলে যে শব্দটো যেন তলৰ পৰা প্ৰতিধ্বনিত হৈ পুনৰ ভাহি আহিছে। এনেতে সি দেখিলে যে সমীৰন দত্তই বাওঁফালে ক্ৰমাৎ তললৈ নামি যাবলৈ ধৰিছে। ইয়াত ৰাস্তা অলপমান তলত। কিন্তু ক'ত বা কোনফালে নামিব লাগিব বিমলে অন্ধকাৰৰ বাবে ধৰিব নোৱাৰিলে। ব্যগ্ৰ হৈ- 'সুধিলে তোমাৰ লগত টৰ্চ আছে নেকি সমীৰনদা?' অকস্মাত এছাটি বতাহ সোঁ-সোঁৱাই বাওঁফালৰ পৰা তীব্ৰ বেগেৰে নামি গ'ল। বিমলে ভয় খাই আঁতৰি যোৱাৰ লগে লগে সমীৰন দত্তই খিলখিলাই হাঁহিব ধৰিলে ? ক'লে

ঃ তই ইমান ভয়াতুৰনে বিমল ? মই আছো নহয়, আহ...........

কৈয়েই হঠাতে বিমলক দাংকোলাকৈ ধৰি সমীৰন দত্তহ তৰিৎ গতিৰে প্ৰায় উৰিয়েই যেন নামি গ'ল তললৈ। উশাহ-নিশাহ বন্ধ হৈ আহিল বিমলৰ। তাৰ পিছত হঠাৎ এঠাইত তাক এৰি দিলে। প্ৰকৃতিস্থ হ'ল বিমল। সমীৰন দত্তৰ পিছে পিছে যাব ধৰিলে। কিছুদুৰ আগুৱাই গৈ বাওঁফালে ঘুৰিয়েই বিমলে সুধিলে- 'আচ্ছা- সমীৰনদা, তুমি এইদৰে কিয় পলাই ফুৰিছা কোৱাছোন?'

তীব্ৰ স্বৰত কৈ উঠিল সমীৰন দত্তই- 'কি কৈছ তই?' তাৰ ফালে চাই চমকি উঠিল বিমল। সমীৰন দত্তৰ চকু দুটা যেন অগ্নিপিণ্ডৰ দৰে জ্বলি উঠিছে। সি কলে- 'কিয় পলাই ফুৰিম? কৈছোঁ নহয় মই চাকৰি কৰো বুলি। আনকি দৰ্মহা পালেই প্ৰত্যেক মাহতে মই ঘৰলৈ টকা পঠিযাওঁ'

ঃ আশ্চৰ্যৰ সুৰত সুধিলে বিমলে- টকা পঠোৱা তুমি, তোমাৰ মায়ে আজিলৈকে মোক কোৱা নাই। বৰং তোমাৰ কথা ওলালেইতোমাৰ মায়ে কান্দি কান্দি কয়- মোৰ সমীৰন যে কেতিয়া ঘৰলৈ ঘুৰি আহিব; ক'ত বা গুচি গ'ল বেচেৰা....। অন্ততঃমোৰ আগততো তোমাৰ মায়ে মিছা নামাতে।

ঃ অ তেনেকৈ কয় নেকি মায়ে?

ঃ আৰু কি কয় জানা-তুমি হয়তো কোনোবা দূৰ ঠাইত সাধু সন্ন্যাসী হৈ আছা। তোমাৰ

কুণ্ঠিত বোলে লিখা আছে যে তুমি হেনো পঁচিশ বছৰ বয়স হ'লেই সন্যাসী হ'বা।
চিঞৰি উঠিল সমীৰন দত্তই- 'ঐ সাৱধান। এই নাম দুনাই উচ্চাৰন কৰিলে তোৰ ডিঙি কাটি দুছেও কৰিম মই।' বিমলে ভয় খাই কিছু পিছুৱাই গ'ল। সি দেখিলে যে সমীৰনৰ চকু দুটা আগতকৈয়ো বেছিকৈ জ্বলিছে। তৎক্ষণাৎ সপ্রতিভ হৈ উঠি বিমলে মিহি সুৰত ক'লে- 'ঠিক আছে সমীৰনদা মোৰ ভুল হৈছে। তুমি খং নকৰিবা।'
কৈয়েই ইফালে সিফালে চাই দেখিলে যে সমীৰন ওচৰত নাই। কি হ'ল....... । ক'ত লুকালনো সমীৰন দা। এনেতে হঠাৎ বিমলৰ চকুত পৰিল জংঘলৰ মাজত এটা প্ৰকাণ্ড ঘৰ । ঘন এন্ধাৰৰ মাজত অশৰীৰি আত্মাৰ দৰে নিঃশব্দে থিয় হৈ আছে। চাৰিওফালে গছ-লতা ভৰিৰ তলতো অজস্ৰ শুকান পাত। সেই পাতবোৰৰ ওপৰেদি মচ্‌মচ্‌ শব্দ কৰি কিবা এটা দৌৰি যোৱা শুনিয়েই বিমলৰ সৰ্বাঙ্গ শৰীৰ শিয়ঁৰি উঠিল। সমীৰন দত্তক মাতিবলৈ লৈছেহে মাথোন, এনেতে বতাহত কাৰোৱাৰ মাত ভাহি আহিল।
বিমল। 'আহ, এইফালে আহ......' কণ্ঠস্বৰ শুনিয়েই বিমলে বুজিলে যে সেয়া সমীৰনৰ মাত। কিন্তু বিমলে এন্ধাৰত বাট বিচাৰি নাপালে। সি ক'লে- 'পোহৰৰ ব্যৱস্থা কৰা আকৌ; নহ'লে কেনেকৈ যাম?' পোহৰ দেখোন আছেই, তই দেখা নাই? আহ, সন্মুখলৈ আহ সকলো দেখিবি।' শংকাবোধ নকৰাকৈ আগবাঢ়ি গ'ল বিমলে। তৎক্ষনাৎ ঘৰৰ দৰ্জাখন খোল খাই গ'ল। লগে লগে কেৰককৈ শব্দ এটা হ'ল। দৰ্জাৰ মুখ পোৱাৰ লগে লগে বিমলৰ মূৰৰ ওপৰেদি সউতকৈ কেইটামান প্ৰকাণ্ড বাদুলি উৰি গ'ল।

ভিতৰত সোমায়েই বিমলে পাতল সেউজীয়া পোহৰৰ আভা দেখিলে। এখন টেবুলৰ ওপৰত এটা ডাঙৰ লেম জ্বলি আছে। কাঁচৰ চিমনিটো সেউজীয়া ৰঙৰ। কোঠাটোত বেলেগ আচবাব নাই। মাথোন চাৰিওকাষে দেৱালজুৰি সিঁচৰতি হৈ আছে সৰু ডাঙৰ অসংখ্য হাড় আৰু নানা তৰহৰ জীৱ-জন্তুৰ কংকাল। দেখিয়েই মূৰ আচন্দ্ৰাই কৰিব ধৰিলে বিমলৰ। ভয়ে ভয়ে সুধিলে " এইবোৰ কি সমীৰনদা? মোৰ হ'লে বৰ ভয় লাগিছে?" অট্টহাস্য কৰি সমীৰনে কলে - 'ভয় কৰিবলৈ কিটো আছে । আচলতে এইটো হ'ল মোৰ এটা মিউজিয়াম। ইয়াত মই হাবিত চিকাৰ কৰি পোৱা বিভিন্ন পশু-পক্ষীৰ হাড় আৰু মূৰৰ কংকাল বোৰ সযতনে সজাই পৰাই ৰাখিছোঁ - কৈয়েই দেৱালৰ পৰা এডাল হাড় হাত মেলি লৈ আহিল সমীৰনে। হাড়ডালত কেইটামান আঙুলি সংলগ্ন হৈ আছে।
'ঐ বিমল, এয়া চা........ এইখন কাৰ হাত জাননে? বান্দৰৰ আৰু সৌৱা ওপৰত যে এটা মূৰ ওলমি আছে, সেইটো কাৰ জাননে?' কৈয়েই চকুৰ পচাৰতে হাত খন মেলি মূৰটো নমাই আনিলে সমীৰনদাই।

ইমান ওপৰৰ পৰা হাত মেলি কেনেকৈ সেইটো নমাই আনিলে সমীৰনে। সেইটো নমাই আনিবলৈতো জখলাৰ দৰ্কাৰ। সেই ভয়ানক দৃশ্য দেখাৰ লগে লগে বিমলৰ দেহত যেন আচম্বিতে বিদ্যুৎ প্ৰবাহিত হৈ গ'ল। প্ৰচণ্ড শীততো কঁপাল আৰু ডিঙিৰ আশে-পাশে বিন্দু-বিন্দু ঘাম বিৰিঙি উঠিবলৈ ধৰিলে। তৎমূহুৰ্ততে আৰু এটা অদ্ভুত দৃশ্য দেখিলে বিমলে। কোঠাটোৰ ভিতৰত লেম্পৰ পোহৰত বিমলৰ ছাঁ স্পষ্ট ৰূপত দৃশ্যমান হৈ উঠিছে. কিন্তু সমীৰনৰ ছাঁ ক'তো চকুত পৰা নাই এই পৰ্যন্ত। তেনেহ'লে .....................

বিমলে কিবা এটা প্ৰশ্ন কৰাৰ আগেয়েই সমীৰনদাই কৈ উঠিল- 'তই বোধ হয় মোৰ কাণ্ড-কাৰখানা দেখি তাজ্জব মানিছ নহয়নে? আচলতে কি জান বিমল, এয়া যাদু। যোৱা দহ বছৰ ধৰি মই যে ক'ত ধৰণৰ যাদু শিকিছোঁ তোক কেনেকৈ বুজাম। মাথোন মৃতদেহত প্ৰান দিয়াটোহে শিকা হোৱা নাই। সেইটো শিকিব পাৰিলেই দেখিবি যে মই বিশ্ববিখ্যাত হৈ যাম। অ, বিমল ইমানপৰে কেৱল কথাহে পাতি আছোঁ। ৰ, তোৰ কাৰণে অলপ চাহ আনোগৈ। তাৰ পিছত আৰু বহুত কথা পাতিম।'

বিমলে মন কৰিলে হঠাৎ যেন অদৃশ্য হৈ গ'ল সমীৰন। তাৰ হাত-ভৰি থৰথৰ কৈ কঁপিবলৈ ধৰিলে। সি ভাবিলে ইয়ালৈ আহি ডাঙৰ ভুল কৰিলোঁ। বৰং বাটতে ট্ৰাকৰ বাবে অপেক্ষা কৰাই ভাল আছিল। বাহিৰলৈ ওলাবলৈ মন কৰিলে বিমলে। কিন্তু এয়া কি? দৰ্জাখন দেখোন বন্ধ। গাৰ সমস্ত শক্তি প্ৰয়োগ কৰিও সি দৰ্জাখন খুলিব নোবাৰিলে। কি অদ্ভুত কাণ্ড দৰ্জাখন বাহিৰৰ পৰা কোনোৱাই বন্ধ কৰি দিলে নেকি কিন্তু কোনে বন্ধ কৰিলে? সমীৰনৰ বাহিৰেতো আন কোনো ব্যক্তিকেই সি দেখা নাই। তদুপৰি এই নিৰ্জন স্থানত এই সময়ত কোন আহিব? বিমলে চিৎকাৰ কৰি উঠিল - সমীৰন দা ..............সমীৰনদা।

কোনো সঁহাৰি নাই। আচৰিত চাহ বনাবলৈ গৈ ক'ত নোহোৱা হ'ল সমীৰন। আকৌ চিঞৰি চিঞৰি মাতিলে কেইবাৰমান বিমলে। তথাপি কোনো সঁহাৰি নাই। হঠাতে বিমলৰ ভাব হ'ল যেন এজাক প্ৰচণ্ড বতাহ সোমাই কোঠাৰ ভিতৰখন কোবাই গ'ল। আৰু স্থিৰ হৈ থাকিব নোৱাৰিলে সি। টেবুল লেম্পৰ পোহৰ কমাই থো ৱা আছিল। দৌৰি গৈ সেইটো বঢ়াই দিয়াৰ লগে লগে লেম্পটোৰ কাষতে এটা দিয়াচলাই চকুত পৰিল। তাৰ ওপৰত ধূলি জমা হৈ আছে। ধূলিখিনি জোকাৰি উঠি এডাল কাঠি উলিয়াই জ্বলাবলৈ চেষ্টা কৰিলে। কাঠিডাল জ্বলি উঠাৰ লগে লগে চমকি উঠিল বিমল। গোটেই কোঠাটোৰেই দেখোন ধূলিময়। টেবুল লেম্পটো ওপৰত থকা বাবেই আগতে সেয়া চকুত পৰা নাছিল।

হঠাতে কাৰোবাৰ বিকট হাঁহিত কাণ তাল মাৰি ধৰিলে তাৰ। ওপৰলৈ মূৰ তুলি চাই বিমলে দেখিলে যে এটা কটা মূৰ শূণ্যত

ওলমি দুলিব ধৰিছে। কি আচৰিত। মুখখন দেখোন সাইলাখ সমীৰনৰ দৰে। এয়া কি? - খন্তেক পিছতে আৰু এটা কটা মূৰ আহি আগৰটোৰ কাষতে বৈ গ'ল। তাৰ পিছত আৰু এটা ......। এইদৰে এটা এটাকৈ অজস্ৰ কটা মূৰেৰে কোঠাটো ভৰি পৰিল। আটাই বোৰেই অট্টহাস কৰি কোঠাটোৰ চাৰিওফালে শূণ্যত বৃত্তাকাৰে ঘুৰিবলৈ ধৰিলে।

বিমলৰ জিউ যাওঁ যাওঁ হ'ল। ভীষণ আতংকিত হৈ পৰিল সি। চিঞৰিব খুজিলে যদিও মুখেৰে মাত নোলাল তাৰ। এনেতে হঠাতে কটা মূৰকেইটা নোহোৱা হ'ল। কোনোমতে সেপ ঢুকিলে বিমলে। ভাবিলে 'নিশ্চয় সমীৰন দাই যাদুৰে মোৰ সতে ধেমালি কৰিছে....।' এইদৰে ভাবিয়েই নিজকে চম্ভালি লৈ প্ৰকৃতিস্থ হ'ল সি। পুনৰ এডাল দিয়াচলাইৰ কাঠি জ্বলালে ।এইবাৰ মন কৰিলে ধূলিৰ মাজতে সিকাষৰ দেৱালত সংলগ্ন হৈ আছে এখন ভগা-চিগা দুৱাৰ। দুৱাৰখন আধা জপোৱা।

জলন্ত কাঠিডাল হাতত লৈ সেইফালে আগুৱাই গ'ল বিমল। হাতেৰে লাহেকৈ ঠেলি দিয়া মাত্ৰকে দুৱাৰখন খোল খাই গ'ল। আকৌ সেই আগৰ দৰে কেৰেক্‌কৈ শব্দ এটা হ'ল। কাঠিডাল নুমাই থোৱাৰ আগমূহূৰ্তত বিমলে যি দৃশ্য দেখিলে তাৰ দম বন্ধ হোৱাৰ উপক্ৰম হ'ল।

এটা সৰু কোঠাৰ ভিতৰত এখন তক্তাৰ ওপৰত সমীৰন চিত হৈ শুই আছে। পিন্ধনত সেই লং কোট, মূৰত টুপী; মুখখনত ভোবোকা ডাড়ি। চকুৰ মনি দুটা যেন ক্ৰমাৎ বাহিৰলৈ ওলাই আহিবলৈ ধৰিছে। জিভাখন যেন ডিঙিৰ ভিতৰৰ পৰা সম্পূৰ্ণ ওলাই দাঁতৰ লগত লাগি গৈছে। উঃ কি বীভৎস দৃশ্য।

সেই ভয়ানক দৃশ্য দেখাৰ পিছত বিমল আৰু থিৰে থাকিব নোবাৰিলে। ইফালে কাঠিডালো নুমাই গ'ল। তড়িৎ গতিৰে বিমলে সমীৰনৰ নিষ্প্ৰাণ দেহটোৰ কাষেৰেই দৌৰ মাৰিলে। সি কলৈ দৌৰিছে একো বুজিব নোবাৰিলে। অৱশ্যে কিছুক্ষণৰ পিছতে সি ঠাণ্ডা বতাহ অনুভৱ কৰিলে। সেই ঠাণ্ডা বতাহৰ পৰশত বিমল আৰু থিয় হৈ থাকিব নোবাৰিলে। মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে আৰু লাহে লাহে জংঘলৰ মাজত ঢলি পৰিল।

ভালেখিনি সময়ৰ পাছত বিমলৰ জ্ঞান ফিৰি আহিল। তেতিয়া পুৱাৰ পোহৰ ফুটি ওলাইছে। চৌপাশে চৰাই চিৰিকতিৰ মাত। চকু মেলি চায়েই বিমলে দেখিলে যে তাৰ চাৰিওকাষে মানুহৰ ভিৰ লাগিছে। ভিৰৰ মাজৰ পৰা এজন বয়স্ক ব্যক্তিয়ে সুধিলে " আপোনাৰ কি হৈছে মহাশয়?"

বিমলে নিশাৰ ঘটনাটোৰ বিষয়ে বিবৰি ক'লে। তাকে শুনি মানুহ জনে আচৰ্য্যৰ সুৰত কলে-" ইছ্‌ৰাম। আপুনি ভগৱানৰ কৃপাত ৰক্ষা পৰিল।" তাৰ পিছত মানুহজনে ক'বলৈ ধৰিলে - 'বহু দিনৰ আগতে এজন ভদ্ৰলোক ইয়ালৈ আহিছিল। তেওঁ অনেক যাদু মন্ত্ৰ জানিছিল। যাদুৰ বলত তেওঁ স্থানীয় লোকক আশ্চৰ্যজনক দৃশ্য দেখুৱাইছিল । এইদৰে ঘুৰি-ফুৰি এদিন ৰাস্তাত কাম কৰা শ্ৰমিক সকলক তদাৰক কৰাৰ কামত নিয়োজিত হৈছিল তেওঁ। জংঘলৰ ভিতৰত সেই কোঠাটোত থাকিবলৈ লৈছিল। চিকাৰত তেওঁৰ বৰ চখ আছিল। এদিনাখন হঠাতে কিদৰে জানো তেওঁৰ মৃত্যু হ'ল। তিনি দিনৰ পিছত লাচটো যেতিয়া বাহিৰ কৰা হৈছিল তেওঁৰ মূৰত টুপী আৰু পিন্ধনত অভাৰ কোট এটা আছিল।

কাহিনী শেষ কৰি ব্যক্তিজনে বিমলক সুধিলে - 'মহাশয়, সেই কোঠাটোতো সদায় বন্ধ থাকে, আপুনি কেনেকৈ সোমাইছিল?'

বিস্ফোৰিত নেত্ৰে কৈ উঠিল বিমলে- 'বন্ধ থাকে?'

তৎমূহুৰ্ততে হাতৰ মুঠিত থকা দিয়াচলাইটোৰ ওপৰত চকু পৰিল তাৰ। অবাক হৈ ভাবিলে- 'আচৰিত কোঠাটো বন্ধ হৈয়েই থাকে। তেনেহ'লে এই দিয়াচলাইটো কেনেকৈ ক'ৰ পৰা মোৰ হাতত আহিল। অথচ মোৰ পকেটতটো কোনো দিয়াচলাই নাছিল।

# দুখন হৃদয়ৰ এখনি সাকোঁ

বৱিতা ৰাভা
স্নাতক তৃতীয় বৰ্ষ

ৰাতিপুৱা ছয় বজাৰ আগেয়ে শোৱা পাটি এৰিলে শিখাই। তাৰ পিছত পূৰ্ব পৰিকল্পনা অনুযায়ী দাপোণৰ আগত নিজকে সজাই-পৰাই ল'লে। পিন্ধনত এযোৰ আকাশী নীলা চুৰিদাৰ, ওঠত বোঁলাই ল'লে পাতল গোলপী ৰঙৰ লিপিষ্টিক। আকাশী নীলা ৰংঙৰ চুৰিদাৰৰ সৈতে তাইৰ বাদামী ৰঙী দেহটো হৈ পৰিছিল আকৰ্ষণীয়। তাই নিজকে প্ৰস্তুত কৰি লৈ যাত্ৰা আৰম্ভ কৰিলে নীলিমক লগ পাবলৈ। তাই আজি বেছ আনন্দিত কোনোদিনে নেদেখা নীলিমক দেখা পোৱাৰ হেঁপাহত। কিন্তু তাই এখোজ দুখোজকৈ যিমানে আগবাঢ়ি গৈ আছিল যাত্ৰাৰ পথত সিমানে যেন খৰকৈ চলিবলৈ ধৰিছিল তাইৰ বুকুৰ স্পন্দন। লাজ আৰু ভয়ে যেন তাইৰ লগ এৰা নাই আজি। নানা ধৰণৰ প্ৰশ্নই লুকা-ভাকু খেলিছে সংগোপনে তাইৰ কোমল হৃদয়ত। এনেতে হঠাৎ তাইৰ ম'বাইল ফোনটো বাজি উঠিল । ইমানপৰে ভাৱনাত বিভোৰ হৈ থকা শিখাৰ মনটো যেন সাৰ পাই উঠিল । ম'বাইল ফোনটোলৈ দৃষ্টি নিক্ষেপ কৰি দেখিলে নীলিমৰ ফোন।তাই ৰিচিভ্ কৰিলে।

ঃ হেল্ল'' ..... হেল্ল' শিখা তুমি এতিয়া কিমানখিনি পালা? মই তোমালৈ ৰৈ আছো - নীলিমে কলে।

ঃ নীলিম, মই আৰু দহ মিনিটৰ পিছতে তোমাক লগ পাম, চিন্তা কৰিব নালাগে-কৈয়ে শিখাই ফোনটোৰ কানেকচন্ কাটি দিলে।

অলপ সময়ৰ পিছতে বাছখন ষ্টপেজত ৰৈ দিলে। বাছৰ পৰা নামি শিখাই ইফাল-সিফাল চকু ফুৰালে। তাৰ পিছত নীলিমলৈ কল কৰিলে ...।

ঃ হেল্ল' ... হেল্ল' নীলিম মই আহি পালোঁ। পিছে তুমি ক'ত আছা?

তেতিয়া ফোনৰ সিটো মূৰৰ পৰা নীলিমৰ কণ্ঠ ভাহি আহিল।

ঃ মই বাছ ষ্টপেজতে ৰৈ আছো। তুমি ভয় কৰিব নালাগে। মই হালধীয়া ৰঙৰ টি চাৰ্ট আৰু ব্লু' জিন্টচ্ পেন্ট পিন্ধিছোঁ। তুমি পিছে কি ৰঙৰ কাপোৰ পিন্ধিছা?

ঃ আকাশী নীলা চুৰিদাৰ।

শিখাৰ উত্তৰ শুনি নীলিম আৰু ৰৈ থাকিব নোৱাৰিলে। লাহে লাহে সি শিখাৰ ফালে আগবাঢ়ি গ'ল। শিখাক দেখি তাৰ মনটো বৰ প্ৰফুল্লিত হৈ উঠিল। সি মনতে ভাবিবলৈ ধৰিলে, এয়াই হয়তো শিখা। যাৰ সৈতে সি ইমান দিনে ফোনত কথা পাতি আছিল, যাক চাবলৈ হয়তো তাৰ মনটো ব্যাকুল হৈ পৰিছিল। সি এইবাৰ নিজৰ ভাৱনাৰ পৰা নিজকে কিছু সময়ৰ বাবে আঁতৰাই আনি শিখালৈ চাই প্ৰশ্ন কৰিলে।

ঃ Are you Sikha?

শিখাই অলপ নম্ৰ ভাৱে কলে -

ঃ Yes, I am Sikha. you are Nilim!

ঃ Yes you are right. নীলিমে উত্তৰ দিলে।

নীলিমে এইবাৰ হাঁহি মুখে শিখাক সম্ভাষণ জনাই নিজ গাঁওলৈ বুলি গতি ল'লে। শিখা আৰু নীলিম দুয়ো আগবাঢ়িল নীলিমহঁতৰ গাঁওলৈ। খন্তেক সময়ৰ পিছতে দুয়ো গৈ নীলিমহঁতৰ ঘৰ পালে। নীলিমে শিখাক নিজৰ মা, দেউতা আৰু বাইদউে আটাইৰে সৈতে পৰিচয় কৰাই দিলে। শিখাই তেওঁলোকক সসন্মানে নমস্কাৰ জনাই চা-চিনাকি হ'ল। নীলিমহঁতৰ পৰিয়ালটোৰ সৈতে চিনাকি হৈ শিখাৰ খুবেই ভাল লাগিছিল। বিশেষকৈ নীলিমৰ মাকক লগ পাই তাই কিছু পৰৰ বাবে কণমানী ছোৱালী জনী হৈ পৰিছিল। নিজৰ মাকলৈ তাহঁৰ খুউব মনত পৰিছিল। সেয়ে তাই উপলব্ধি কৰিছিল-

সঁচাকৈয়ে 'মা' শব্দটোৰ আঁৰত যেন মমতা লুকাই আছে।সেয়ে হয়তো মানুহে কয়-

"নৈৰ সমান বৰ কোন,
আইৰ সমান হ'ব কোন।"

তাই মনৰ মাজতে ক'বলৈ আৰম্ভ কৰিছিল

"মা তুমি অনন্যা ... মা তুমি অনন্যা।"

কিন্তু কি আচৰিত কথা শিখাই কিছু পৰৰ বাবেও উপলব্ধি কৰিব পৰা নাই তাই যে কোনোবা অচিনাকি ঠাইত আহি উপস্থিত হৈছেহি। এটা পলৰ বাবেও তাইৰ অনুভৱ হোৱা নাই নীলিম যেন তাইৰ কোনোবা অচিন ব্যক্তি। নীলিমৰ মুখলৈ তাই যেতিয়া মূৰ দাঙি চায়, কিয় জানো এক মধুৰ প্ৰশান্তিয়ে তাইৰ হৃদয়খন ভৰাই তোলে। বিষাদৰ বা চাটিও যেন তাইক আজি স্পৰ্শ কৰিব পৰা নাই।

নীলিমৰ সৈতে ইমানপৰে কথোপকথোনৰ মাজত আবদ্ধ হৈ থকা শিখা যেন হঠাৎ সচকিত হৈ উঠিল নীলিমৰ মাকৰ কণ্ঠত-

ঃ মাজনী চাহ খোৱা, আমি হ'লো দুখীয়া মানুহ, এয়াই আমাৰ দুখীয়া পঁজা।

ঃ অ' জেঠাই তেনেকৈ নক'ব , মইও ধনী পৰিয়ালৰ ছোৱালী নহওঁ...।

শিখাই নীলিমৰ মাকৰ কথাষাৰৰ প্ৰত্যুত্তৰ দি চাঁহ কাপত সোঁহা এটা মাৰিলে। চাহৰ তৃপ্তিয়ে যেন শিখাৰ মন প্ৰাণ পুনৰ সজীৱ কৰি তুলিলে।

দুপৰীয়াৰ ভাত সাজ খাই কিছুপৰ বিছনাত পৰি শিখাই জিৰণি লৈছিল। তেনেতে তাইৰ চকু পৰিছিল নীলিমৰ পঢ়া টেবুলখনত। অতি পৰিপাটিকৈ সজাই থোৱা কিতাপবোৰে তাইক মুগ্ধ কৰি তুলিছিল। তাইৰ হাবিয়াস হৈছিল কিতাপবোৰ চোৱাৰ। তাই টেবুলখনত থোৱা কিতাপবোৰলৈ চকু ফুৰালে। কিতাপবোৰৰ মাজৰ পৰা তাই এখন বহি উলিয়াই আনি তাইৰ কুমলীয়া আঙুলি কেইটাৰে বহীখনৰ পাতবোৰ লুটিয়াবলৈ ধৰিলে। বহীৰ পাতত নীলিমে লিখা ধুনীয়া ধুনীয়া কবিতাবোৰ পঢ়ি তাই অতীতৰ দিনলৈ ঘূৰি গ'ল।

অতীতত কবিতা, উপন্যাস লিখি ভাল পোৱা শিখাজনী আৰু এতিয়া হৈ থকা নাই। এজাক প্ৰবল ধুমুহাই কাঢ়ি লৈ গৈছিল তাইৰ জীৱনৰ সকলো ৰঙ আৰু আশা-আকাঙ্খাক। কিন্তু নীলিমৰ কবিতাবোৰ পঢ়ি তাইৰ এনে অনুভৱ হ'ল - অ'ত দিনে মনৰ মাজত নীৰৱে শুই থকা শিখাজনী যেন আজি পুনৰবাৰ সাৰ পাই উঠিবলৈ খুজিছে।

আবেলিৰ ৰান্ধনি বেলিটোয়ে পশ্চিমলৈ ভুমুকি মাৰিবলৈ ধৰোতে নীলিমে শিখাক লৈ ওলাই গ'ল এপাক সিহঁতৰ গাঁওখনত ফুৰিবলৈ। গাওঁৰ একাঁ-বেকাঁ ৰাস্তা, মাজে মাজে সেউজী ধাননী পথাৰৰ লগতে পাহাৰবোৰ দেখি শিখা চঞ্চলা জুৰিটিৰ দৰে হৈ পৰিছিল। পাহাৰবোৰ চাই তাই বহুত ভাল পায়, সেয়ে হয়তো জোৰকৈ নীলিমক কৈছিল-

ঃ আহানা নীলিম পাহাৰৰ বুকুত এবাৰ বগাই চাওঁ, Please.....

নীলিমে শিখাৰ কথাষাৰৰ কোনো আপত্তি নকৰি শান্ত ল'ৰাৰ দৰে পাহাৰখন বগাবলৈ সন্মতি জনালে। সিহঁত দুয়ো পাহাৰৰ নামনিৰ শিলবোৰৰ ওপৰেদি আগবাঢ়ি গৈ এচটা শিলৰ ওপৰত বহি পৰিল। কুলু-কুলু শব্দৰে বৈ আহিছিল নৈ-নিজৰা। গছৰ ডালত পৰি নানা পক্ষীয়ে শুঁৱলা কণ্ঠৰে গীত জুৰিছিল। প্ৰকৃতিৰ সেই ৰমণীয় দৃশ্যৰ মাজত সিহঁত দুয়ো হেৰাই গ'ল কোনোবা সপোন ৰাজ্যত।

এন্ধাৰ লাহে লাহে নামি আহিছিল, দুয়ো ঘৰ আহি উপস্থিত হ'ল। সেইদিনা গোটেই নিশা শিখাই শুব পৰা নাছিল। তাই যিমানেই শুবলৈ যত্ন কৰিছিল, সিমানেই তাই বুকুৰ ঢপঢপনি বাঢ়ি গৈছিল। তাই মনৰ উচপিচনিত বিছনাখনত ভালদৰে বাগৰি থাকিব পৰা নাছিল। জুঁইত পৰা চগা এটাৰ দৰে চটফটাই আছিল তাই। নানা ধৰণৰ প্ৰশ্নই তাইৰ মনৰ দাপোনত ভুমুকি মাৰিবলৈ ধৰিছিল। তাই নিজকে প্ৰশ্ন কৰি চালে।

ঃ সঁচাই তাই সেই জনী শিখা হৈ আছে নে? যিজনী শিখাই হাঁহি ধেমালি ভাল পাইছিল। কবিতা-উপন্যাস আদি লিখি ভাল পাইছিল। ক'ত সেইজনী শিখা.. ক'ত? নে দুবছৰৰ আগতে তাইও হেৰায় গ'ল তাইৰ সংগী আকাশৰ সতে কোনোবা অচিন পৃথিৱীৰ কোলাত।

আকাশ নোহোৱা হোৱাৰে পৰা তাইৰ জীৱনটো এটা উকা কেনভাচৰ দৰে হৈ পৰিছিল। সেইদিন ধৰি তাই ৰং-ধেমালি হাঁহি-তামচা, আদি কৰিবলৈ পাহৰি গৈছিল। পঢ়া-শুনা, কবিতা উপন্যাস আদি লেখা-মেলা কামৰ পৰা তাই নিজকে বহু নিলগলৈ আঁতৰাই আনিছিল। জীৱনটো নো সঁচা অৰ্থত কি সেয়া তাই পাহৰি পেলাইছিল। সেয়ে হয়তো তাইৰ বাবে জীৱনটো হৈ পৰিছিল এটুকুৰা নিৰস কাঠৰ দৰে। সংসাৰৰ কোনো বস্তুৰ প্ৰতি তাইৰ যেন কোনো আকৰ্ষণ নাই। কোনে কি কৰিছে, কি কৰা নাই এইবোৰ কথাৰ প্ৰতি তাইৰ কোনো ভ্ৰূক্ষেপ নাই। এই যোৱা দুবছৰে ধৰি তাই শিখা হৈ জ্বলিয়ে আছে বিৰহৰ বহ্নিত।

কিন্তু তাই আজি জীয়াই থাকিব খোজে নীলিমৰ প্ৰেৰণাত। কাৰণ তাই নীলিম আৰু আকাশৰ মাজত একো পাৰ্থক্য বিচাৰি উলিয়াব নোৱাৰিলে। নীলিমৰ কথাৰ প্ৰকাশ ভংগী, স্বভাৱৰ গতি আকাশৰ সৈতে প্ৰায় একে। ক'ব নোৱাৰাকৈয়ে নীলিমৰ প্ৰতি তাইৰ হৃদয়ত মৰম উপজি উঠিল।

নীলিমৰ সৈতে শিখাৰ চিনাকি হৈছিল তাইৰ মাহীয়েকৰ ল'ৰা ভাস্কৰৰ জৰিয়তে। ভাস্কৰে দিছিল শিখাক নীলিমৰ ফোনৰ নম্বৰ আৰু ভাস্কৰে শিখাক এয়াও কৈছিল যে নীলিম খুব শান্ত প্ৰকৃতিৰ ল'ৰা নিঃসংগতাই হ'ল তাৰ জীৱনৰ সংগী। আৰু সেইকাৰণে হয়তো শিখাই জানিবলৈ ইচ্ছুক হৈ পৰিছিল নীলিমৰ নিঃসংগতাৰ কাৰণ। তেনেকৈয়ে গাঢ় হৈ উঠিছিল নীলিম আৰু

শিখাৰ বন্ধুত্বৰ এই সম্পৰ্ক। এদিন-দুদিন যিমানেই সময়বোৰ বাগৰি গৈছিল সিহঁত দুয়োৰে মনত বন্ধুত্বৰ শিপাডাল সিমানে দ'কৈ শিপাবলৈ ধৰিছিল।

নিঃসংগভাৱে সময় কটাই ভালপোৱা নীলিমে অৱশ্যে শিখাৰ লগত চিনাকি হৈ বেয়া পোৱা নাছিল। প্ৰথম অৱস্থাত যদিওবা সি শিখাৰ সৈতে কমকৈ কথা-বতৰা পাতিছিল, পিছলৈ কিন্তু সিহঁতৰ মাজত সেই ব্যৱধান বেছি দিনলৈ তিষ্ঠি থাকিব নোৱাৰিলে। দুয়ো দুয়োকে বুজি উঠাৰ লগতে মনৰ সুখ-দুখবোৰ ভগাই ল'বলৈ আৰম্ভ কৰিছিল।

নীলিম সমভ্ৰান্ত পৰিয়ালৰ ল'ৰা নহয়। সৰুৰে পৰা দুখ-কষ্টৰ মাজেৰে দিনবোৰ পাৰ কৰি অহাৰ বাবে চাগৈ সি ভালকৈ বুজি উঠিছিল জীৱনৰ কঠিনতাক। সেইবাবে সি শিখাক প্ৰায়ে কৈছিল ঃ Lift is a strugal. So, fight it. তুমি জীৱনৰ সৈতে যুঁজিবলৈ শিকা, শিখা...... যুঁজিবলৈ শিকা।

"জীৱনত যি জনে কান্দি যায়
তেওঁ হাৰি যায় আৰু
যিজনে হাঁহি যায়
তেওঁ জিকি যায়.......।"

তুমি হাৰি যোৱাটো মই নিবিচাৰো শিখা। ইমান দিনে চকুলো টুকি তুমি কি পালা? তোমাৰ জানো কিবা লাভ হৈছে। চকুলোৱে মানুহক দুৰ্বল কৰে জানা শিখা। সেয়ে চকুৰ পানীক প্ৰশয় নিদিবা। হাঁহিবলৈ শিকা, জীৱনটোক নতুন ৰূপেৰে গঢ়িবলৈ শিকা। তেতিয়াহে বুজিব পাৰিবা জীৱনত জীয়াই থকাৰ মাদকতা ক'ত।......?

সাঁথৰ সাঁথৰ লাগিছিল নীলিমৰ এই কথাবোৰ শুনি শিখাৰ। প্ৰথমতে তাই নিজৰ কাণ খনকে বিশ্বাস কৰিব পৰা নাছিল। তাই মনতে ভাবিছিল-

'সমাজত জানো কোনোবা ইমান ভাল মানুহ থাকিব পাৰে যিয়ে আনৰ কথা ভাবিব পাৰে। আজিৰ যুগৰ বিশাল এই পৃথিৱীত কোনেনো কাৰ কথা চিন্তা কৰিবলৈ সময় পায়। প্ৰত্যেকজন ব্যক্তি নিজকলৈয়ে ব্যস্ত। সকলোৰে লক্ষ্য উদ্দেশ্যৰ আঁৰত যেন লুকাই আছে একো একোটা স্বাৰ্থ। অথচ নীলিম। কেনেকৈ ইমান নিস্বাৰ্থভাৱে ভাবিব পাৰে মোৰ কথা। সঁচাকৈয়ে সি বাৰু মোৰ কথা ইমান সুন্দৰভাৱে ভাবে নে?...... নে মোৰ অনুভৱৰ সৈতে খেল খেলিছে......?

শিখাৰ মনত দুলনি দি থকা সন্দেহৰ সাঁচ বোৰ কালক্ৰমত লাহে লাহে লোপ পাবলৈ ধৰিলে। নীলিমে গঢ়া মৰম আৰু বিশ্বাসৰ সাকোঁত শিখা ক্ৰমান্বয়ে আগবাঢ়ি যাবলৈ ধৰিলে। সময়বোৰ বাগৰি যোৱাৰ লগে লগে নীলিমক লগ পোৱাৰ স্পৃহা শিখাৰ মনত নদীৰ বানৰ দৰে বাঢ়ি আহিছিল আৰু আজি শিখাৰ এই কল্পনা বাস্তৱত পৰিণত হ'ল।

নীলিমক লগ পোৱাৰ পিছত শিখাই আজি ভালকৈ বুজি উঠিব পাৰিছে। জীয়াই থকাৰ মাদকতাত তাই আজি নিজকে সলনি কৰিব খুজিছে। দুখ-যন্ত্ৰণা আদিৰ পৰা তাই মুক্তি পাব বিচাৰিছে। তাইৰ মনটো দৌৰিছে এজাক পোহৰৰ সন্ধানত। তাই ক'ব নোৱাৰাকৈয়ে দুচকুৰে নিগৰি ওলাই আহিল আনন্দৰ দুধাৰি চকুলো আৰু তাই নীৰৱে বাট চাই ৰ'ল অনামিষাৰ নিশাৰ ৰাতিপুৱালৈ....।

য'ত উদ্যম, লালসা, কামনাৰ লেলিহান বহ্নিশিখাই স্পৰ্শ কৰিব নোৱাৰে সেয়ে প্ৰকৃত কাব্য। যিয়ে জগতৰ বাহিৰৰ নজনাক জানিবলৈ প্ৰাণৰ হেঁপাহ সাধনাৰ নিৰ্দেশ দিয়ে সেয়ে কাব্যৰ চৰম অভিব্যক্তি। কাব্য ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ ৰূপময় চিত্ৰ।

*ৰঘুনাথ চৌধাৰী*

# জীৱনৰ অভিলাস লক্ষ্য

**পূৰবী সৰকাৰ**
**স্নাতক তৃতীয় বৰ্ষ**

নানা দুখ বেদনাৰে ভাৰাক্ৰান্ত বৰষাৰ জীৱন। ক্ষণে ক্ষণে থমকি ৰয় তাইৰ জীৱনৰ প্ৰতিটো পল। তাইৰ সপোনবোৰ যেন এক মুহূৰ্তত নিঃশেষ হৈ পৰিছিল। জ্বলি থকা এগচি প্ৰদীপৰ দৰে নিজৰ জীৱনটো উজ্জ্বল কৰিব বিচৰা বৰষাৰ সপোনবোৰৰ প্ৰতিটো মুহূৰ্ত আঁকি লৈছিল হৃদয়ৰ দাপোনত। জীৱনৰ প্ৰতিটো সময় সকলোৰে বাবে বহুত মূল্যবান। প্ৰতিটো সময় আমি এনে নষ্ট কৰিব নোৱাৰো। তাইৰ সপোন আছিল প্ৰকৃত শিক্ষাৰ জৰিয়তে জীৱনক আগুৱাই লৈ যোৱা। বৰষাৰ ঘৰৰ আৰ্থিক অৱস্থা খুউব সুবিধাজনক নাছিল। পৰিয়ালত আছিল মাক, দেউতাক আৰু বৰষাৰ দুজনী মৰমৰ ভন্টি। কালক্ৰমত দেউতাকে জুৱা খেলি, মদ খাই জীৱনটো ধ্বংসৰ ফালে লৈ গৈছিল। দেউতাকৰ মতে এজনী ছোৱালী কেতিয়াও লৰা এজনৰ নিচিনাকৈ সমানে কাম কৰিব নোৱাৰে। এজনী ছোৱালীৰ প্ৰথম কাম হ'ল নিজৰ ঘৰখন ভালদৰে চোৱা-চিতা কৰা আৰু দ্বিতীয়তে গাভৰু হোৱাৰ পিছতে বিবাহ পাশত আৱদ্ধ হোৱা। ছোৱালী এজনীক বিয়া দিবলৈ বহুত টকাৰ প্ৰয়োজন। দেউতাকৰ মতে মাতৃৰ দৰে তাইও ঘৰৰ কু-লখিনী আছিল। লৰা হৈ জন্ম ললে বৰষাৰ দেউতাকে বহুত সহায় পালেহেঁতেন। বৰষাৰ দেউতাৰ মতে বৰ্তমান সমাজত লৰাক যিখিনি অধিকাৰ দিয়া হয় সেইখিনি অধিকাৰ ছোৱালী এজনীক দিয়া উচিত নহয়। দেউতাকৰ এখন নিজা দোকান আছিল। দেউতাকে দোকানখন নিজে চোৱাচিতা কৰিছিল। দেউতাকে ভাবিছিল লৰা এজন থাকিলে দেউতাকে পঢ়াশুনাত বেছি গুৰুত্ব নিদি দোকানত বহুৱালেহেঁতেন। শিক্ষাৰ ধাৰণা তেওঁ বুজিব পৰা নাছিল। তেওঁ দশম শ্ৰেণী লৈকেহে পঢ়িছিল। সময়ৰ লগে লগে বৰষাইও দেউতাকক সহায় কৰিব বিচাৰিছিল। কিন্তু সমাজত মানুহৰ ভয়ত তাই সেই কাম কৰিব পৰা নাছিল। যাৰ ফলস্বৰূপে এতিয়াও সমাজত বহুত নাৰী পিছপৰি আছে। নাৰীৰ শক্তি অপৰিসীম। এজনী নাৰীৰ অন্তৰত মা সৰস্বতী, লক্ষ্মী, দুৰ্গাৰ শক্তি বিৰাজ কৰে। বৰষাই মা সৰস্বতীৰ আশীৰ্বাদত আৰু মনৰ একাগ্ৰতা আৰু মনবলেৰে নিজৰ জীৱনৰ প্ৰতিটো আশা পূৰণ কৰিবলৈ বিচাৰিছিল। মৰমলগা ছোৱালী বৰষা। মাকৰ মৰম আৰু আদৰৰ মাজত আগবাঢ়ি গৈছিল বৰষা, কিন্তু দেউতাকৰ পৰা নানা অকথ্য কথা শুনিব লগা হৈছিল। দেউতাকে তিনিজনী ছোৱালীৰ চিন্তাত বেছিকৈ মদ খাবলৈ ধৰিছিল। মদৰ ৰাগীত বৰষাক বিনা দোষে গালি পাৰিছিল। এইবোৰ কথা সহ্য কৰিও বৰষাই পঢ়া শুনাৰ পৰা পিচ হুহকি অহা নাছিল। তাই দশম শ্ৰেণীলৈ উত্তীৰ্ণ হ'ল। ইতিমধ্যে দেউতাকে দোকানখন ভাড়ালৈ দিলে। মাকে দোকানৰ ভাড়া ১২০০ টকাৰে ঘৰ চলাব নোৱাৰা হৈ পৰিল। বৰষাই পঢ়াৰ কাৰণে নিজে নিজৰ খৰচ উলিয়াব লগা হ'ল। বৰষাৰ দুখ-যন্ত্ৰণা দেখি মাকে মনত বৰ কষ্ট পালে। ইফালে দেউতাকে বৰষাক বিয়া দিবলৈ ল'ৰা চাবলৈ আৰম্ভ কৰি দিলে। এই কথাত বৰষা দুখত ভাগি পৰিল। তাইৰ অনেক সপোন আছিল। অথচ এই সপোনবোৰৰ কথা তাই কাকো কব পৰা নাছিল। তাইৰ সাৰথি আছিল জীৱনৰ দিন পঞ্জীখন। এদিন তাই লিখি থকা অৱস্থাত হঠাৎ দেউতাকে ৰুমৰ ভিতৰত সোমাই আহিছিল। তাই দেউতাকক দেখি Diary খন লুকাই থলে। দেউতাকে তেতিয়া একো নকলে। ৰুমৰ পৰা যেতিয়া বৰষা ওলাই আহিল তেতিয়া বৰষাইনো কি লুকাইছে সেয়া দেউতাকে চাবলৈ ধৰিলে। তেতিয়া দেউতাকে বৰষাই লুকাই থোৱা Diary খন বিচাৰি পালে। বৰষাই Diary ত নো কি লিখিছিল তাক জানিবলৈ Diary খন পঢ়িবলৈ ধৰিলে। সৰু সৰু আখৰেৰে জীৱনৰ প্ৰতিটো সুখ-দুখৰ মুহূৰ্তবোৰ বৰষাই কি দৰে পাৰ কৰিলে তাক Diary খনত লিখি থৈছিল। কথাখিনি পঢ়ি দেউতাকৰ মনত বৰ দুখ লাগিল। মাক-দেউতাকক তাই কিমান সন্মান কৰে, অথচ তাইৰ আশাবোৰ বুজিবলৈ চেষ্টা নকৰে। বৰষাই আচলতে কি বিচাৰিছিল দেউতাকে সেইদিনাহে বুজি পালে। ল'ৰা-ছোৱালীক গঢ় দিয়াত মাক-দেউতাকৰ কৰ্তব্য থাকে। শিক্ষাক সদায় নিজৰ অন্তৰত স্থান দিব লাগে। বৰষাৰ সাৰথি জীৱন পঞ্জীখনে দেউতাকৰ মন সলনি কৰি পেলালে। পঢ়াৰ প্ৰতি তাইৰ একাগ্ৰতা দেখি বিয়াৰ কথা পাহৰি পেলালে আৰু তাইক উপযুক্তভাৱে শিক্ষিত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ হ'ল। দেউতাকে এতিয়াহে উপলব্ধি কৰিলে যে, ছোৱালী এজনীক বিয়া দিয়াটোয়েই মাক-দেউতাকৰ লক্ষ্য হোৱা উচিত নহয়।

# জনমভুমি

সোণমনি ৰাভা

ক্ৰীং ক্ৰীং ক্ৰীং কৈ বাজি উঠিল মোৰ মোৱালাইটো। মোৱালাইটোলৈ চকু ফুৰালো, এটা অচিনাকী নম্বৰ। নাম চেভ নথকা বাবে ফোনৰ লাইন কাটি দিলো। ক্ষন্তেক পিছতে আকৌ বাজি উঠিল সেই একেটোই নম্বৰ। কৰো নকৰোঁকৈ ৰিচিভ কৰিলোঁ।

ঃ হেল্লো কোন?

ঃ অ' পাহৰি গ'লা নহয়, তোমাৰ নয়ন।

ঃ নয়ন তুমি....... আগৰ নম্বৰটো মানে চিমখন কি হ'ল, এইটো দেখোন বেলেগ নম্বৰ?

ঃ আগৰ মোৱালইটো হেৰুওৱাৰ বাবে আৰু এটা নতুন ললো তাৰ বাবে চিমখনো নতুন কৰিবলগীয়া হ'ল। মিনাক্ষী, বিহু উপলক্ষে মই কাইলৈ ঘৰলৈ যাম বুলি ভাবিছো, তুমি ষ্টেশ্বনলৈ আহিবাচোন মোক আগবঢ়াই নিবলৈ।

ঃ ঠিক আছে, যাম দিয়া।

ৰাতিপুৰা ৪.০০ বজাত বিছনাৰ পৰা উঠি প্ৰাতঃ ভ্ৰমণ কৰিবলৈ ওলালো আৰু ৫.০০ বজাত ঘৰলৈ উভতিলো। গা পা ধুই ব্ৰেকফাষ্ট কৰিলো। ইয়াৰ পিছত কি কৰো কি নকৰোঁকৈ ভাবি টিভিৰ সন্মুখতে বহি পৰিলো। এনেতে হঠাৎ মন পৰিল নয়নৰ কথালৈ। সময় তেতিয়া ১১-৩০ হ'লগৈ। ফোন এটাও কৰা নাই। মই লৰালৰিকৈ ড্ৰেচ কৰিবলৈ ধৰিলো। এনেতে নয়নৰ ফোন আহিল। সি হেনো ষ্টেচন আহি পাইছেহি। ৰশ্মিকো মাতি পঠিয়াইছো, অহা নাই তাইও। মই ওলালো ৰশ্মিহঁতৰ ঘৰৰ সন্মুখৰ পথেদি। ৰশ্মি বাট চাই আছে মোলৈ। লৰা লৰিকৈ গলো দুয়ো। নয়ন ষ্টেশ্বনতে বৈ আহি আছে। কোনো পলম নকৰাকৈ তাৰ পৰা গুচি আহিলো। খুৰীমায়ে নয়নৰ বাবে পদূলিৰ মূখতে ৰৈ আছিল। কাইলৈ বিহুৰ উৰুকা। খুৰীমায়ে এড্ভান্স পিঠা বনাই থৈছিল। নয়নৰ মা আমালৈ চাহ বনালে। চাহ খাই এঘন্টামান পিছত ঘৰলৈ উভতিলো।

নয়ন গুৱাহাটী বিশ্ববিদ্যালয়ৰ হোষ্টেলত থাকে। বছৰত এবাৰ-দুবাৰহে ঘৰলৈ আহে। এইবাৰ পিছে কেইদিন থাকিম বুলি আহিছে। এতিয়া নয়নৰ ওভোতাৰ সময় হ'ল। যোৱাৰ আগদিনা মই নয়নক মাতি পঠিয়ালো। ৰাতিপুৰা ৯.০০ বজাত নয়ন আমাৰ ঘৰ পালেগৈ। বিহু উপলক্ষে বিহুৱান এখনকে যাচিলোঁ। বাইদেউৱে নয়নৰ বাবে চাহৰ ব্যৱস্থা কৰিলে। চাহ জলপান খাই বহু কথা পাতিলো। আবেলি নয়ন আৰু মই নৈৰ পাৰলৈ এপাক ঘুৰিবলৈ গলো। নৈৰ পাৰত বহি বেছ ভাল লাগিছিল। সন্ধিয়া নামিছিল। আমি ঘৰলৈ উভতিলো। নয়ন কাইলৈ গুৱাহাটীলৈ উভোতিব। গতিকে ৰাতিপুৰা ৭-০০ বজাত মই নয়নক আগবঢ়াই দিবলৈ বাছ ষ্টেচন পালোগৈ।

নয়নৰ সপোন আছিল বিদেশত পঢ়াৰ। তাৰ সপোন ফলিয়ালে। এদিন সি বিদেশত পঢ়িবলৈ যোৱাৰ সুযোগ পালে। বিদেশত যোৱাৰ বাবে নয়নে প্ৰস্তুতি চলালে আৰু দেউতাকেও নয়নক হেল্প কৰিলে। বিজ্ঞানৰ বিষয় আৰু অধিক জ্ঞান আহৰণ কৰাৰ উদ্দেশ্যে সি আমেৰিকালৈ যোৱাৰ সিদ্ধান্তগ্ৰহণ কৰিছিল। ইতিমধ্যে নয়নৰ বিদেশ যাত্ৰাৰ সময় হ'ল।

কাইলৈ নয়নে যাত্ৰা কৰিব আমেৰিকালৈ। ৰাতিপুৱা সোনকালে উঠি মই নয়নক বিদায় দিবলৈ ওলালো। সি সম্পূৰ্ণ সাজু হৈ আছে। আৰু কেই মহূৰ্ত্তমান পিছতে সি বিদেশ যাত্ৰা আৰম্ভ কৰিব। মাকে আশীৰ্বাদ দিলে বিদেশত ভালকৈ থাকিবলৈ। সি দুৱাৰ মখৰ পৰা সোমাই আহিল কোঠালৈ। চাৰ্ট, পেন্ট, জোতা মোজা পিন্ধি সাজু হৈছেই সি।

ঃ অ, তুমি সাজু হলানে নয়ন ? নয়নৰ দেউতাকে বিছনাৰ পৰা নামি আহি সুধিলে। ইতিমধ্যে মাকেও বস্তুবাহিনীবোৰ সামৰি-সুতৰি বেগটো লৈ ওলাই আহিলেই। দেউতাকে গাড়ীখন ষ্টাৰ্ট কৰি যাবলৈ সাজু হ'ল। মইনয়নক চুমা এটা দিলো। মাকও গাড়ীৰ ভিতৰত বেগটো উঠাই দিলে। মাকৰ চকুলৈ চালে নয়নে। পৃথিৱীৰ সমস্ত কাৰুণ্য আহি ভিৰ কৰিছেহি মাকৰ মুখখনত। সি মাকৰ চৰণ চুই সেৱা জনাই

গাড়ীত উঠিলগৈ। গাড়ীখনে ধীৰ গতিৰে ৰাস্তাত উঠিলেহি। যথা সময়ত গাড়ী গৈ গুৱাহাটীৰ বিমান বন্দৰ পালেগৈ। নয়নে গুৱাহাটীৰ পৰা প্লেনত উঠি আমেৰিকালৈ উৰা মাৰিলে।

নয়ন বিদেশত উপস্থিত হ'ল। নয়ন আৰু মোৰ মাজত থকা স্মৃতিয়ে মোক বৰকৈ আমনি কৰিছিল। কাৰণ নয়ন মোৰ কাষত নাই। বছৰৰ মূৰত নয়নক এবাৰ লগ পাওঁ। কেতিয়াবা দুবছৰ মূৰতহে আহে ঘৰলৈ। প্ৰথম অৱস্থাত নয়নে মোৰ লগত ঠিকেই সম্পৰ্ক অব্যাহত ৰাখিছিল, কিন্তু পিছলৈ সেই সম্পৰ্কত যটি পৰিবলৈ ধৰিলে। সি লাহে লাহে মোক পাহৰিবলৈ ধৰিলে। সি ইতিমধ্যে এগৰাকী বিদেশীনিৰ প্ৰেমত পৰিল। সি নিজৰ ঘৰ, নিজৰ দেশ সকলোকে পাহৰিবলৈ ধৰিলে। সি হৈ পৰিল বিদেশী। বিদেশতে সি চাকৰিও পালে, নয়নে লাহে লাহে মোক পাহৰি যাব ধৰিলে। বিদেশী ছোৱালীজনীৰ নাম আছিল কৰীণা হাজৰিকা। মই ভবাই নাছিলো নয়ন সঁচাকৈ বিদেশলৈ গৈ সলনি হৈ যাব। নয়নৰ মাক-দেউতাকেও সি বিদেশী ছোৱালীৰ প্ৰেমত পৰা কথাটো গম পোৱা নাছিল। এদিন মই নয়নৰ মোবাইল নম্বৰটো উলিয়াই কল কৰো নকৰোঁকৈ কৰিলো। বৰ্তমান সেই চিমখন কৰীণাই ব্যৱহাৰ কৰে। সেইবাবে তাইৰ লগত কথা পাতিবলৈ মই ইচ্ছা কৰা নাছিলোঁ। ফোনৰ লাইন কাটি দিলো।

এদিন মই নয়নৰ চিঠি এখন পালো। খোলো নোখোলোকৈ চিঠিখন পঢ়ি অতালো। নয়নৰ চিঠি পঢ়ি মই অবাক আৰু হতভম্ব হৈ পৰিছিলো। সি যে এনেকুৱা নিদাৰুণ চিঠি এখন মোলৈ পঠাব সেয়া ভাবিবই পৰা নাছিলো। চিঠিত সি লিখিছিল সি হেনো কৰীণাক লৈ এইবাৰ এমাহমান থকাকৈ ঘৰলৈ আহিব। সি আহিলে মোক তাৰ ঘৰলৈ মাতি পঠিয়াইছে। অহা বুধবাৰে নয়ন ঘৰলৈ আহিব। মোৰ বাবে অহা বুধবাৰ বহুত সময়। সময়বোৰ যেন নাযায় হেনাযায়। যথা সময়ত নয়ন ঘৰলৈ উভতিল। মইও সিদিনাই তাৰ ঘৰ পালোগৈ। খুৰীমায়ে দুবছৰ মূৰত নয়ন আহিব বুলি বহুত কিবা কিবি খোৱাৰ ব্যৱস্থা কৰি থৈছিল। মইও খুৰীক সহায় কৰিলো। দুপৰীয়া ১১.৩০ বজাত নয়ন আহি পালে। একেবাৰে আমেৰিকান হৈ আহিছে। তাৰ লগত এজনী বিদেশৰ ছোৱালী আহিছিল আৰু মই গম পাইছিলো সেয়াই নিশ্চয় কৰীণা। অলপ জিৰণি লৈ তাইক চাহ একাপ খাবলৈ দিলো। খুৰীমায়ে ছোৱাজনীলৈ ভেবা লাগি চাই আছিল। অজানিতে মোৰ দুধাৰি চকুলো বৱলৈ ধৰিলে। যিজন নয়নক মই প্ৰাণ ভৰি ভাল পাইছিলো, সকলো কামত উৎসাহ দিছিলো, সেইজন আজি মোৰ কাষত থাকিও নথকা দৰে হ'ল। মই বৰকৈ উচুপিবো ধৰিলো নয়নক দেখি। সি ছাগে তাৰ আৰু মোৰ সম্পৰ্কৰ কথা পাহৰি গ'ল। নয়নে মোক কৰীণাৰ লগত চিনাকি কৰি দিলে। "এমাহমান থকাকৈ আহিছানে? একেবাৰে বিয়াখন পাতি কৰীনাক ঘৰত থৈ যাবা?"- মই আক্ষেপেৰে তাক সুধিলো। সি নীৰৱে থাকিল। এদিন সন্ধিয়া মাক-দেউতাক সকলোৱে মিলি নয়নৰ বিয়াৰ কথা আলোচনা কৰিলে। মাকে ছোৱালীজনীক পছন্দ কৰা নাছিল যদিও দেউতাকে এই বিষয়ে একো নকলে।

আমেৰিকালৈ যোৱাৰ দহ দিনৰ আগত নয়ন-কৰীণাৰ বিয়া হৈ গ'ল। এনে এক অনাকাংক্ষিত বিয়াই মোক মনত বৰ দুখ দিলে। মই ভাগি পৰিলোঁ। ভাবিলো আত্মহত্যা কৰি জীৱনটো নিঃশেষ কৰি দিম নেকি। কিন্তু তাৰ আগতে এবাৰ ভাবিলো আত্মহত্যাই জানো ঘূৰাই আনিব নয়নক। মই গোটেই জীৱন নয়নৰ বাহিৰে কাৰো সংগী হ'ব নিবিচাৰো। বিয়াৰ পিছত কৰীনাইও নয়নৰ লগত আমেৰিকালৈ যাবলৈ ওলাল। নয়নৰ আমেৰিকালৈ যোৱা দিনটো আহিল। ৰাতিপুৱা নয়নে সোনকালে সাজু হ'ল। কৰীণাকো নিব লগীয়া হ'ল। ঘৰত কেৱল মাক আৰু দেউতাকক থৈ নয়ন উভতিল আমেৰিকালৈ। মাকে নয়ন যোৱাৰ সময়ত মনে মনে থাকিল।

খুৰীৰ লাহে লাহে বয়স হ'বলৈ ধৰিল আৰু বহুত দুৰ্বল হৈ পৰিল। নয়নৰ কথা ভাবি ভাবি খুৰীয়ে নানা বেমাৰত আক্ৰান্ত হ'বলৈ ধৰিলে। এদিন খুৰীয়ে বিচনাৰ পৰা উঠিব নোৱাৰা হৈ আহিল। খুৰায়ে ততালিকে গাঁওৰ হস্পিতাল এখনলৈ গ'ল। স্থানীয় ডাক্তৰে লিখি দিয়া ঔষধখিনি খাই তেখেত অলপো আৰোগ্য নহ'ল। খুৰীৰ বেমাৰ ক্ৰমে বাঢ়িবলৈহে ধৰিলে। নিৰূপায় হৈ খুৰাদেউৱে খুৰীমাক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ লৈ গ'ল। চিকিৎসকে ক'লে খুৰী হেনো ব্ৰেইন টিউমাৰ ৰোগত আক্ৰান্ত। অপাৰেশ্বন কৰি খুৰীক আৰোগ্য কৰিবলৈ নানা চেষ্টা কৰা হ'ল যদিও তেখেতক জীয়াই ৰাখিব পৰা নগল। নিয়তিৰ ওচৰত খুৰীয়ে হাৰ মানিলে।

মাকৰ অসুখৰ খবৰ পাই নয়নে ল'ৰালৰিকৈ ঘৰলৈ উভতি আহিল যদিও মাকক জীৱিত অৱস্থাত লগ নাপালে। একমাত্ৰ সন্তানক শেষ মুহূৰ্ত্তত লগ নোপোৱাকৈ খুৰীমা গুচি গলগৈ। খুৰীৰ মৃত্যুৱে খুৰাদেউক অন্তৰত বৰ দুখ দিলে। খুৰীমাৰ শোকত তেওঁ ভাগি পৰিল আৰু টান নৰিয়াত পৰিল। এদিন খুৰাদেউও মৰি থাকিল। মাক-দেউতাকৰ মৃত্যুত নয়ন মৰ্মান্তিক আঘাত পালে। এবছৰমান কাল সি কৰীণাক লৈ ঘৰতেই থাকিল। ইয়াৰ পিছত সি আকৌ বিদেশলৈ যাবলৈ ইচ্ছা নকৰিলে। নিজ দেশতে কিবা এটা কাম কৰি জীৱন অতিবাহিত কৰাৰ সিদ্ধান্ত ললে। বিদেশীনি কৰীণাই নয়নৰ এই সিদ্ধান্তক আপত্তি দৰ্শালে আৰু এদিন নয়নক এৰি তাই নিজ দেশ আমেৰিকালৈ গুচি গ'ল।

এতিয়াহে নয়নে উপলব্ধি কৰিবলৈ ধৰিলে নিজ দেশ আৰু নিজ দেশৰ লোকৰ মৰ্মবেদনা। মাক-দেউতাকৰ প্ৰতি কৰা অৱহেলা, নিজৰ প্ৰেয়সী মিনাক্ষীক কৰা প্ৰতাৰণাৰ ফল সি ভালকৈয়ে ভোগ কৰিলে। সি ভাবিলে "জননী জন্ম ভূমিশ্চ স্বৰ্গাদপি গৰিয়সী"

# অনাথ

মেনকা বড়ো
উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষ

ৰাতিপুৱাই উঠি গীতাই যোৱানিশা চোৰ কৰি অনা লোৰ টুকুৰা কেইডাল ভগা-চিগা সংগ্ৰহ কৰা দোকানী জনৰ ওচৰলৈ বিক্ৰী কৰিবলৈ লৈ গ'ল। কিছুদুৰ গৈয়ে গীতাই দোকান বন্ধ থকা দেখা পালে। দোকান কিয় বন্ধ আছে বুলি সোধাত লোক এজনে কলে যে অসম বন্ধৰ কাৰণে দোকান-পোহাৰ বন্ধ ৰখা হৈছে। আকল সিদিনাই নহয় আগন্তুক তিনি দিনলৈকে এই বন্ধ অব্যাহত থাকিব বুলি মানুহজনে গীতাক কলে। এই কথাত তাই মনত বৰ দুখ পালে। ঘৰলৈ উভতি আহি সৰু ভন্টি ৰীতুক সকলোখিনি কথা বিৱৰি কলে।

গীতা আৰু ৰীতুৰ জীৱন দুখ-বেদনাৰে ভৰা। যিদিনাখন সিহঁতৰ মাক-দেউতাকৰ গাড়ী এক্সিডেন্ট হৈ মৃত্যু হৈছিল, সিদিনাখনৰ পৰাই গীতা আৰু ৰীতুৰ জীৱন অবৰ্ণনাতীত দুখেৰে ভৰি পৰিছিল। আজি সিহঁত কেৱল অনাথেই নহয় বৰং অঘৰীও। মাক-দেউতাক ঢুকুৱাৰ পিছত দুয়ো খুৰাকৰ আশ্ৰয়ত থাকিবলৈ লয়। কিন্তু খুড়াকৰ ঘৰত সিহঁতে সৰহ দিন থাকিব নোৱাৰিলে। খুৰীয়েকে পোনতে সিহঁতক ঠিকেই মৰম-আদৰ কৰিছিল যদিও পিছলৈ সিহঁতক নানা দুখ-কষ্ট দিবলৈ ধৰিলে। আচলতে ৰীতু-গীতাৰ খুৰীয়েক আছিল এগৰাকী স্বাৰ্থপৰ মহিলা।

এদিন গীতা আৰু ৰীতুৰ মাকে বন্ধু এজনৰ ঘৰলৈ বিয়া খাবলৈ গৈছিল। বিয়া খাই ঘৰলৈ উভতি আহোতে গাড়ী এক্সিডেন্ট হৈ দুয়োৰে মৃত্যু হয়। মাক-বাপেকৰ অকাল মৃত্যুয়ে কণমানি শিশু দুটিৰ জীৱনলৈ দুৰ্যোগ নমাই আনিলে! খুড়াকে কণমানি ছোৱালী দুজনীৰ ভোৰন-পোষনৰ দায়িত্ব গ্ৰহণ কৰিছিল যদিও খুৰীয়েকৰ অবৰ্ণনীয় অত্যাচাৰত সৰহদিন তিষ্ঠি থাকিব নোৱাৰিল। গীতাহঁতৰ দেউতাক এজন প্ৰতিষ্ঠিত ব্যৱসায়ী আছিল বাবে ঘৰখন ধন-সম্পত্তিৰে ভৰি পৰিছিল। স্বাৰ্থপৰ গীতা-ৰিতুৰ খুৰীয়েকে ভাবিলে যে যদি গীতা আৰু ৰীতু ডাঙৰ হয় তেনেহলে তেওঁলোকৰ সম্পত্তিৰ অধিকাৰী খুৰীয়েকে হ'ব নোৱাৰিব। এনে এটি আশংকা কৰিয়েই এদিনাখন খুৰীয়েকে সিহঁতক মাৰি মাৰি ঘৰৰ পৰা খেদি পঠিয়ালে।

পিতৃ-মাতৃ বিহীন শিশু দুটিয়ে নিৰূপায় হৈ ঘৰৰ পৰা ওলাই গৈ অত-তত অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে। এইদৰে ঘূৰি ফুৰোতে এদিন সিহঁত দুয়ো ৰেলেৰে গৈ গুৱাহাটী ৰেল ষ্টেচন পালে। তেতিয়া ৰাতি পুৱাবলৈ কিছু সময় বাকী আছিল। অসহায় শিশু দুটি ভয়ত কপিবলৈ ধৰিলে। নিৰূপায় হৈ দুয়ো ভয় ভয়কৈ ৰাতিটো ষ্টেচনতে কটালে।

ৰাতিপুৱা দুয়ো ইফাল-সিফাল চাই কাৰোপৰা একো সঁহাৰি নাপাই ৰেলৰে প্লেটফৰ্মত থাকিবলৈ সিদ্ধান্ত ললে। লগত অনা টকা কেইটিৰে খোৱা বস্তু কিনি সিহঁতে দুদিনমান কটালে। টকাখিনি শেষ হোৱাত ভোকৰ তাড়ানাত সিহঁতে চোৰ বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। চোৰ কৰি যতে যি পায় তাকে খাই সিহঁতে পেট প্ৰৱৰ্তাই আৰু নিশা ৰেলৰে প্লেটফৰ্মত আশ্ৰয় লয়। কিন্তু চোৰ কৰি পেট প্ৰবৰ্তন কৰাটো বৰ সুবিধাজনক নহ'ব বুলি ভাবি ভিক্ষা বৃত্তি গ্ৰহণ কৰিলে। ভিক্ষা মাগি ফুৰোতে আনে পেলাই দিয়া পচা বস্তু খাই ৰীতু নৰিয়াত পৰিল। ৰীতু নৰিয়াত পৰাত গীতাই মনত বৰ দুখ পালে। ভগৱানক প্ৰাৰ্থনা কৰাৰ বাহিৰে গীতাই একো কৰিব নোৱাৰিলে। গীতাৰ প্ৰাৰ্থনা ভগবানে শুনিলে আৰু কেইদিন মান পিছত ৰীতুৰ বেমাৰ ভাল হ'ল। সিহঁতে ভাবিলে কেইদিন মান আগতে খুৰীয়েকৰ শাস্তিৰ পৰা মুক্তি পাইছিল। ইয়াৰ পিছতো দুখে সিহঁতক লগ এৰা নাছিল। যিয়ে নহওঁক সিহঁতে জীয়াই থাকিব বিচাৰে। জীৱনৰ মায়া মমতাই সিহঁতক ভিক্ষা বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য

কৰালে। অকল ভিক্ষা বৃত্তিয়েই নহয় প্ৰয়োজন হ'লে ভদ্ৰলোকৰ জোতা পৰিস্কাৰ কৰিবলৈও সিহঁত কুণ্ঠাবোধ নকৰা হ'ল। কেতিয়াবা ষ্টেচনত জোতা পৰিস্কাৰ কৰিবলৈ দিয়া যাত্ৰী অধিক নাপালে তেওঁলোকে ভিক্ষা কৰিবলৈ যায়। ভিক্ষা নাপালে নোখোৱাকৈয়ে ৰাতিটো কটায় দিয়ে।

সিহঁতৰ দুখৰ বাবে নিজৰ ভাগ্যকে দোষ দিয়ে গীতা আৰু ৰীতুয়ে। সিহঁতে এইখন পৃথিৱীত ভগৱানৰ বাহিৰে কাকো আপোন বুলি নাভাবে। ভগৱানৰ আশীৰ্বাদ লৈ সিহঁত জীয়াই থাকিব বিচাৰে।

এইদৰে কণমানি শিশু দুটিয়ে জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'ল। দিন বাগৰিল এদিন চহৰত পূজা হ'ল। কামাখ্যা মন্দিৰত অম্বুবাচী মেলা। কথাটো সিহঁতে গম পোৱা নাছিল। কিন্তু সিদিনা গীতই ভিক্ষা মাগি ফুৰোতে পূজাৰী এজনক দোকানীৰ লগত কথা পাতি থকা দেখা পাইছিল। গীতা আনন্দত জঁপিয়াই পৰিল। ঘৰলৈ আহি কথাটো ৰীতুক কলে। দুয়ো মা কামাখ্যাৰ আশীবাদ লবলৈ যাম বুলি স্ফুৰ্টি কৰিবলৈ ধৰে। সিহঁত দুয়ো ৰাতিপুৱাই উঠি নদীত গা পা ধুই পুনৰ পুৰণা কাপোৰকে পিন্ধি মন্দিৰলৈ যাবলৈ ওলাল। দুয়ো মন্দিৰত সোমাবলৈ বিচাৰিছিল। কিন্তু কেই গৰাকীমান ভদ্ৰ মানুহে দুয়োকে গালিহে পাৰিলে। সিহঁতক ধমক দি বাহিৰলৈ খেদি পঠিয়ালে। দয়ো দুখ মনেৰে বাহিৰলৈ ওলাই আহিল। আনে দিয়া ভিক্ষা গ্ৰহণ কৰি কান্দি কান্দি নিজৰ আশ্ৰয়স্থল ৰেলৰে প্লেটফৰ্মলৈ ঘুৰি আহিল।

আজি দুয়ো একো খোৱা নাই। সিহঁতে ভাবিবলৈ ধৰিলে যে কাকো মা-দেউতা, ভাই-বন্ধু বুলি মতাৰ অধিকাৰ নাই, অধিকাৰ নাই ভগৱানক সেৱা কৰিবলৈ। দুয়ো কান্দি কান্দি ভাগৰি পৰিল।

বৰ্তমান গৰমৰ দিন। গৰমৰ দিনত কিবাকৈ থাকিব পৰা যায়। কিন্তু ঠাণ্ডা দিনত 'আমি কেনেকৈ থাকিম' বুলি গীতাৰ চিন্তা হ'বলৈ ধৰিলে। মনে মনে তাই ভগৱানক প্ৰাৰ্থনা কৰিলে 'হে ভগৱান ঠাণ্ডা দিন অহাৰ আগতে আমাক দুয়োকে মাৰি নিয়া।' সঁচাকৈ এদিন ভগৱানে সিহঁতৰ প্ৰাৰ্থনা স্বীকাৰ কৰিলে।

সিদিনা ৰাতিপুৱাৰ পৰাই বৰষুণ দি আছিল। নেৰানেপেৰা বৰষুণ। গীতা আৰু ৰীতুৱে কোনোমতে ৰেলষ্টেনলৈ গৈ দিনটো একো নোখোৱাকৈ পাৰ কৰিলে। ইতিমধ্যে ৰাতি হৈ আহিবলৈ ধৰিলে। দুয়ো আশ্ৰয় বিচাৰি ওচৰৰ জুপুৰি এটালৈ আগবাঢ়ি গ'ল। কিন্তু ঘৰটোৰ অৱস্থা খুব জৰাজীৰ্ণ আছিল বাবে তাত আশ্ৰয় লোৱাটো সিহঁতৰ বাবে সম্ভপৰ নাছিল। উপায়বিহীন হৈ সিহঁত পুনৰ ৰেলৰে প্লেটফৰ্মলৈ ঘূৰি আহিল। কিন্তু প্লেটফৰ্মত দুষ্ট মানুহৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ৰেল লাইনলৈ দৌৰি গল। ইতিমধ্যে প্ৰচণ্ড বেগেৰে অহা ৰেল এখনে সিহঁত দুয়োটাকে মহতিয়াই গ'ল। সিদিনাৰ পৰা তাত সেই দুজনী ভনীয়েক গীতা আৰু ৰীতুক দেখা পোৱা নগল। হয়তো ভগৱানেও সিহঁত দুয়োটাৰ দুখ-দুৰ্দশা সহ্য কৰিব পৰা নাছিল। সেইবাবে ভগবানৰ সন্তান ভগৱানেই সিহঁতক আশ্ৰয় দিলে। সিহঁত স্বৰ্গগামী হ'ল।

পিচে এই কণমানি দুজনীৰ অকাল মৃত্যুৰ বাবে দায়ী কোন - মাক-দেউতাকৰ নে খুড়াক-খুড়ীয়েকৰ নে সিহঁতৰ দুভাৰ্গ্যৰ?

সচেতনতা আৰু জাগৰণৰ মাজত পাৰ্থক্য হ'ল— সচেতনতা হৈছে ইন্ধন আৰু জাগৰণ হৈছে এক প্ৰকাৰ অগ্নি, যি অগ্নিয়ে দুস্কৃতিক পুৰি ন-সৃষ্টিৰ গজালি মেলাত সহায় কৰে।

*ড° ভূপেন হাজৰিকা*

# জীৱন, শূণ্যতা আৰু অনুভৱ

মিচ্ সংগীতা ৰয়
স্নাতক তৃতীয় বৰ্ষ

হয়তো বৈ যায় কেতিয়াবা শূণ্যতা
লৈ যায় বহু দূৰলৈ মোক।
হয়তো কেতিয়াবা নিজকে হেৰুৱাই পেলাওঁ,
সীমাহীন শূণ্যতাৰ ভিৰত।
বহু পথ, বহুতো শূণ্য পথ।
যাৰ হয়তো শেষ নাই,
সেই অন্তহীন পথবোৰৰ এগৰাকী শূণ্য পথিক মই।
বিচাৰি ফুৰো মই নিজকে,
সেই অকোৰা-পকোৰা শূণ্য পথবোৰৰ মাজত,
ধূলিৰ মাজত নিঃশেষ হৈ পৰো কেতিয়াবা।
ভাগৰি যাওঁ, শেষ হৈ যাব খোজো
সেই ধূলিকণাবোৰৰ মাজতে
আৰু ভোগ কৰো,
জীয়াই থকাৰ যন্ত্ৰণা।
বহুতো নিদ্ৰাবিহীন ৰাতিৰ যন্ত্ৰণা।
তথাপিও
আকৌ খোজ দিও মই।
শূণ্যতাৰ ধূলিময় পথত।
হয়তো কিবা এটা পোৱাৰ হাবিয়াস,
সেই কিবা এটা,
যিটো পোৱাৰ অনুভৱ নাই
কিন্তু সেইটো আটাইতকৈ বৈছি বিচাৰো।
কিন্তু কি? মই নাজানো
হয়তো শূণ্যতাৰ পথবোৰত,
নিজকে পোৱাৰ হাবিয়াসত
ধূলিৰ ধুমুহাই কৰবাত উৰুৱাই লৈ গ'ল
হেৰাই থাকিল,
মোৰ একান্ত অনুভৱ।

# নিয়ৰ

মিচ্ আজমিন আখতাৰ
স্নাতক দ্বিতীয় বৰ্ষ

এন্ধাৰৰ মাজে মাজে অদৃশ্য হৈ
নামি আহা তুমি ধৰণীলৈ।
কিনো তোমাৰ ৰূপ-লাৱণ্য?
নিদিয়ানে তুমি আমাক এবাৰ চাবলৈ।
তোমাৰ পৰশত শেৱালী ফুলে,
শেৱালীয়ে বিস্তাৰিত কৰে
চৌদিশে তাৰ গোন্ধ.....।
তোমাৰ টোপাল আহি সেউজীয়া
বনত পৰি দিয়েহি দলিছা পাৰি মৰমৰ.
তোমাৰ মৰমত মুগ্ধ হৈ
সেই সেউজীয়া বনে মূৰ দোৱায়,
তুমি দলিছা পাৰিবলৈ।
তুমি পাৰি দিয়া বনৰ দলিছাত
ৰাতিপুৱাই উঠি খোজ কাঢ়ো মই,
তেতিয়াই মোৰ মনত শিহৰণ হয়
এক নতুন মনৰ

# আকাশত দেখিছানে তৰা আৰু মেঘৰ ধেমালি

মিচ্ অজমিন আখতাৰ
স্নাতক দ্বিতীয় বৰ্ষ

দেখিছানে আকাশত কেতিয়াবা
তৰা আৰু মেঘৰ ধেমালি
কেনেকৈ সিহঁতে ৰং আনন্দৰে খেলে,
দেখিছানে কেতিয়াবা ?

ঠিক তেনেদৰে মোৰ হৃদয়খনেও
কোনোবা মনৰ আপোনৰ লগত খেলিব
বিচাৰে।
মই ভালপোৱা মোৰ পোহনীয়া চৰাইজনীৰ
পৰীৰ দৰে মাত আৰু মোৰ হৃদয়খনতে
জ্বলি থকা এটা তৰা,

যদিও মোৰ হৃদয়ত জ্বলি থকা তৰা
এতিয়ালৈ মোৰ মনত পোহৰ দিয়া নাই কিয় ?
খেলিম কেতিয়া আমি দুয়ো

জোনাকৰ পোহৰত আনন্দৰ খেলা,
বুজিবলৈ চেষ্টা কৰা তুমি
মোৰ হৃদয়ৰ মনৰ কথা।

# নতুনত্ব

ধনমনি ৰাভা
স্নাতক তৃতীয় বৰ্ষ

হে মোৰ দেশৰ নতুন পুৰুষ
একবিংশ শতিকাত চলিছে কেৱল
প্ৰতিযোগিতা
নহয় এই সময় জিৰণি, টোপনিৰ
লুণ্ঠন হত্যাকাৰীৰ প্ৰতিশোধৰ দিন।
সময় জাগ্ৰত হোৱাৰ
নতুনত্বক সজাগ কৰাৰ,
বিচিত্ৰ প্ৰকৃতিৰ, বিচিত্ৰ দেশত
